জয় গুৰু শঙ্কৰ

# প্ৰসঙ্গ প্ৰণালী

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ ঃ অসম

পঞ্জীয়ন নং - ১৩০৩/৮৭-৮৮

।। জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ ।।

# প্ৰসঙ্গ প্ৰণালী

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামধৰ্ম্ম সমাজ
অসম

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামধৰ্ম সমাজ, অসম
পঞ্জীয়ন নং - ১৩০৩/৮৭-৮৮

সম্পাদনা - শ্ৰীটঙ্কেশ্বৰ বৰা

# প্ৰসঙ্গ প্ৰণালী



প্ৰকাশক

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ, অসম

৬ষ্ঠ প্ৰকাশ (সংশোধিত)

৫৬৯ শঙ্কৰাব্দ ● ইং ২০১৭

প্ৰধান সম্পাদকৰ কাৰ্যালয়

(অস্থায়ী)

গাঁও - চামধৰা ● ডাকঘৰ - শিলঘাট ● পিন - ৭৮২১৪৩

কলিয়াবৰ ● নগাঁও ● অসম

*সমাজৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত*

মূল্য ঃ ৩০.০০ টকা

মুদ্ৰণ

মাল্টি-মেডিয়া প্ৰিন্টাৰ্ছ এণ্ড বুক বাইণ্ডিং

কুঁৱৰীটোল ঃ নগাঁও (অসম) ● ফোন - ৯৪৩৫১৬৫১৯৫ (মোঃ)

## পাতনি

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱ দুয়োজনাৰ আৰ্বিভাৱৰ পূৰ্বে 'হৰি নাম কীৰ্তনৰ' প্ৰসঙ্গ বুলি ধৰ্ম-কৰ্ম সাধনৰ কোনো ক্ৰম এই অসম; কামৰূপ বা প্ৰাগজ্যোতিষপুৰত নাছিল। ঘোৰ কলিৰ ৰাজত্বত কালমায়াৰ চাকনৈয়াত পৰি- আহাৰ, নিদ্ৰা আৰু মৈথুনকে মানৱ জীৱনৰ যথা সৰ্বস্ব মানি তাকে লাভ কৰিবৰ অৰ্থে তন্ত্ৰ-মন্ত্ৰৰ দ্বাৰা নানা ক্ষুদ্ৰ ক্ষুদ্ৰ দেৱ-দেৱীৰ পূজাপাতল কৰাটোহে ধৰ্ম-কৰ্ম সাধন পদ্ধতিৰ প্ৰচলিত বিধি আছিল বুলি ইতিহাস শাস্ত্ৰৰ পৰা জনা যায়। গুৰুজনাৰ আবিৰ্ভাৱ হে সকলো তন্ত্ৰ-মন্ত্ৰৰ প্ৰাসঙ্গিকতা উচ্ছেদ কৰি "বেদৰ গুপুত বিত্ত" সৰ্ব ধৰ্মৰ শিৰোমণি একশৰণ হৰিনাম শ্ৰৱণ কীৰ্তন প্ৰসঙ্গৰ ভক্তি ধৰ্ম প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰি নাম সাধনৰ দ্বাৰাই জীৱই আত্ম স্বৰূপ উপলব্ধি কৰি চৌৰাশী লক্ষ কোটি যোনীৰ জীৱ চক্ৰ অতিক্ৰম কৰি পৰম ধামলৈ গতি কৰাৰ শেষ উপায় হিচাবে এই প্ৰসঙ্গৰ আৰ্হি দি থৈ গ'ল। এই প্ৰসঙ্গৰ আৰ্হি গুৰুজনাই নিজেই অনুশীলন কৰি পৰৱৰ্তী ভক্তসকলৰ কাৰণে বাট কাটি পৰিষ্কাৰ কৰি থৈ গ'ল।

গুৰুজনাই স্বধামলৈ প্ৰত্যাৱৰ্তন বা পয়ান কৰাৰ পিছত পৰৱৰ্তী ভক্তসকলৰ মাজত ধৰ্মৰ গাদীৰ অধিকাৰী হোৱাৰ যি প্ৰতিযোগিতা আৰম্ভ হ'ল তাৰেই ফলশ্ৰুতি মতে এক শ্ৰেণীৰ সন্ত-মহন্তই নিজ নিজ মত সংযোগ কৰি গুৰুজনাৰ প্ৰৱৰ্তিত শুদ্ধ সনাতন এক শৰণ হৰিনাম ধৰ্মক বিকৃত ৰূপ দি স্বকীয় বৈশিষ্ট্য স্থাপন কৰি নিজকে স্বতন্ত্ৰ মহাপুৰুষ বুলি পৰিচয় দিবলৈ প্ৰয়াস কৰাৰ বহু প্ৰমাণ বিভিন্ন চৰিত্ৰকাৰে প্ৰকাশ কৰিছে। তাৰেই পৰিনাম স্বৰূপে এক মহাপুৰুষীয়া ধৰ্মত চাৰি সংহতিৰ সৃষ্টি হয় আৰু শৰণ ভজন নামকীৰ্তন প্ৰসঙ্গৰ ক্ৰমো গুৰুজনাৰ প্ৰৱৰ্তিত আৰ্হি এৰি সুকীয়া সুকীয়া প্ৰণালীৰে কৰাৰ ব্যৱস্থা হ'ল। লগতে সেই সেই আৰ্হিৰ প্ৰৱৰ্তক গুৰুসকলেও নিজকে মহাপুৰুষ বুলি জাহিৰ কৰি শিষ্যবৰ্গৰ মাজত প্ৰতিষ্ঠা লাভৰ নাটক ৰচনা কৰিলে। কিন্তু স্বৰূপাৰ্থত মহাপুৰুষ কোন ? এই বিষয়ে অন্ততঃ বৰ্তমান সমাজৰ সচেতন ভক্ত বৈষ্ণৱৰ মাজত শুদ্ধ গৱেষণা আৰু আলোচনা হোৱাৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰো। গুৰুজনাৰ পিছত বহু পণ্ডিত আৰু শাস্ত্ৰকাৰে পুৰুষ আৰু মহাপুৰুষ শব্দৰ ওপৰত ব্যাখ্যা দিছে যদিও সেই সমূহো পুনৰ আলোচনা কৰাৰ প্ৰয়োজন হৈছে। এই বিষয়ে সাধুসঙ্গ আৰু সন্তসকলৰ মুখনিসৃত কিছু তথ্য ভক্তসকলৰ বিচাৰৰ কাৰণে দাঙি ধৰা হ'ল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুৰ বৈকুণ্ঠ প্ৰয়াণৰ প্ৰাক মুহূৰ্তত দেউ মাধৱ পুৰুষৰ লগত হোৱা অন্তিম মিলনত বড়াৰ পো মাধৱে ভক্তিবলে গুৰুজনাই পৃথিৱী এৰিব বুলি জানি তেওঁৰ চৰণত পৰি অনেক কাকুতি কাৰ্পৃণ্য কৰি তত্বজ্ঞান বিচাৰি অনেক প্ৰশ্ন কৰে। তেৰাৰ ভক্তিত গুৰুজন পৰম সন্তোষিত হৈ কৃপা কৰি সকলো ৰহস্য তত্ব প্ৰকাশ কৰে। তাৰেই ভিতৰত এটা প্ৰশ্নত মহাপুৰুষকে মুখ্য কৰি গুৰুজনাৰ দশনামৰ গূঢ়তত্ব প্ৰকাশ কৰিবলৈ প্ৰাৰ্থনা কৰোতে গুৰুজনে নিজমুখে মহাপুৰুষ নামৰ তাৎপৰ্য্য এইদৰে ব্যাখ্যা কৰে-

প্ৰকৃতিৰ তিনিগুণ মোৰ দেহতে আচয়।
গুৰু দেউ নাম ভক্ত আমাতে ঘটয়।।
তিনিগুণ ভাঙ্গিলেসে তাঙ্ক গুৰু কয়।
বৈকুণ্ঠ মধ্যত যত ভকত আচয়।।
মোত পৰে নাহি জানা পুৰুষ নিচয়।
মোৰ গুৰু জানিবাহা ভকত সবেয়।।
ভকতৰ নাহি গুৰু আৰু মোৰ সম।
সেহি ব্ৰহ্মা আসি যাতু ধৰিলো জনম।।
মহা প্ৰলয়ত আসি মোত লীন গৈলা।
মহাপুৰুষ নাম মোৰ সেহি হেতু ভৈলা।।

সন্তাৱলী (দুজনা গুৰু সংবাদ)

গুৰু অৱতাৰত এই তত্ব ব্যক্ত কৰাৰ আগতো দ্বাপৰৰ কৃষ্ণ অৱতাৰত ধৰ্ম ক্ষেত্ৰ, কুৰুক্ষেত্ৰত অৰ্জুনক অক্ষৰ ব্ৰহ্মা যোগতো এই তত্বকে ব্যাখ্যা কৰিছিল অষ্টম অধ্যায়ত।

পৰস্তস্মাতু ভাৱোহন্যোহব্যক্টোহ ব্যক্তাৎসনাতনঃ
যঃ সৰ্বেষুভুতেষু নশাৎসুন ৱিনশ্যতি।। (গীতা)

অৰ্থাৎ মহাপ্ৰলয়ত সকলো ভূতৰ (প্ৰাণীৰ) বিনাশ হ'লেও যিজনৰ বিনাশ নহয়, অব্যক্তৰো পৰম অব্যক্ত সনাতন য'ত সকলো প্ৰাণী লীন হয় সেই জনেই মহাপুৰুষ। এতেকে সেইজন প্ৰকৃতি পুৰুষ উভয়ৰে নিয়ন্তা সৃষ্টি স্থিতিৰ অন্তকাৰী, অনাদি, অনন্ত, অচ্যুত, সনাতন পুৰুষেই আহি সন্ত অৱতাৰ ধাৰণ কৰি নিজ যশ গুণ নামধৰ্ম প্ৰকাশ কৰি নিজে গুৰু শিষ্য ভাৱ দৰ্শায় ভাব সাধন পথ অনুশীলন কৰি দেখুৱায় দোৰ্ঘোৰ কলিৰ পাপ পঙ্কিলৰ পৰা জীৱ সমস্তক উদ্ধাৰ কৰাৰ যি পথ প্ৰদৰ্শন কৰিলে তাকেই মহাপুৰুষীয়া ধৰ্ম বুলি কোৱা হৈছে। যিহেতু মহাপুৰুষ এজনেই তেৰাই প্ৰকাশ কৰা হৰিনাম ধৰ্মও এটাই, তাৰ সাধন প্ৰণালীও এটাই হ'ব লাগিব বা হোৱা উচিত। কিন্তু গুৰুৰ মহাপ্ৰস্থানৰ পিছতে এই মহাপুৰুষীয়া ধৰ্মৰ নামতেই ব্যক্তি স্বাৰ্থৰ, মোহৰ বশবৰ্তি হৈ বিভিন্ন জনে বিভিন্ন প্ৰকাৰে শৰণ ভজন প্ৰকাশ কৰি হৰি নাম কীৰ্তনৰ প্ৰসঙ্গ কৰাৰ প্ৰণালী প্ৰৱৰ্তন কৰি লগতে ভিন্ন ভিন্ন সংহতি কৰি শদিয়াৰ পৰা মধুপুৰলৈকে জুৰি গঠন কৰা বৰ অসমৰ বৰ সমাজ ভাঙি টুকুৰা টুকুৰ কৰি কাৰো লগত কাৰো মিল নোহোৱাকৈ বিভ্ৰান্ত কৰিলে। অকল সেয়ে নহয় যি দুজনাগুৰুৱে -

এক কৃষ্ণদেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভূঞ্জিয়া
হস্তে কৰা তান কাম।।
একখনি মাত্ৰ শাস্ত্ৰ নিষ্ঠ দৈৱকী নন্দনে কৈলে যাক
দেৱ একমাত্ৰ দৈৱকী দেৱীৰ সূত।

বুলি পুৰাণ, ভাৰত, বেদ, বেদান্তৰ মহাভাগৱত প্ৰভৃতি শাস্ত্ৰসমূহেও সিদ্ধান্ত দৃঢ়ভূত কৰি গ'ল। সহজে বুজিব পৰাকৈ কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলী চাৰিবেদ স্বৰূপ চাৰি শাস্ত্ৰ দুজনা গুৰুৱে নিজেই সঙ্কলন কৰি সকলো শাস্ত্ৰৰ সাৰ উদ্ধাৰ কৰি "একশৰণ হৰিনাম ধৰমকহো ৰাজাকয়ো পৰকাশ" কৰি গ'ল। সেই মহাপুৰুষীয়া ধৰ্মৰ মাজত তন্ত্ৰ-মন্ত্ৰৰে পূজা-পাৰ্বন, যাগ-যজ্ঞ, হোম, শ্ৰাদ্ধ-পিণ্ড আদি কৰাৰো ব্যৱস্থা সংযোগ কৰি মিহলীয়া ভক্তি প্ৰৱৰ্তন কৰি মহাপুৰুষীয়া ধৰ্ম যে বিকৃত কৰিলে সেই কথাও বিভিন্ন চৰিত্ৰই প্ৰমাণ দিয়ে। উদাহৰণ স্বৰূপে এই কথাৰ প্ৰমাণৰ এটি কাহিনী ৰামচৰণ ঠাকুৰ প্ৰণিত বৰচৰিত্ৰত উল্লেখ কৰিছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুজনে বড়াৰ পো মাধৱক সকলো শক্তি ভক্তি দি বেহাৰত গৈ বৈকুণ্ঠ পয়ান কৰাৰ এবছৰ পূৰ হোৱাত আই মাতৃ, ৰমানন্দ ঠাকুৰ আৰু দেউ মাধৱ পুৰুষে গুৰুজনাৰ সাংবাৎসৰিক তিৰোভাৱ তিথি পালন কৰা আয়োজন কৰি সকলো ভকত বৈষ্ণৱে আমন্ত্ৰণ জনালে। সকলো ভকত আহিল কিন্তু দামোদৰ দেৱ নাহিল। মাধৱদেৱে আইমাতৃৰ লগত আলোচনা কৰি শ্ৰীৰমানন্দ ঠাকুৰক দামোদৰ দেৱৰ ঘৰলৈ গৈ তেখেতক মাতি আনিবলৈ পঠালে। তেতিয়াও নাহিল। ইফালে নাম প্ৰসঙ্গৰ সময় সমাগত। অৱশেষত মাধৱদেৱে নাৰায়ণ ঠাকুৰ আতাক পঠালে আৰু ক'লে যে অলপ ভালকৈ বুজাই বড়াই আহেনে নাহে শেষ বাৰ্তা আনিব। ঠাকুৰ আতা গৈ অলপ টান সুৰত পূৰ্বৰ কাহিনী সোঁৱৰাই দি এইদৰে কয় -

কি কাৰণে পিঠি দিলা গুৰুৰ গৃহত।

ইসব সম্পতি কোনে দিলে তোমাক।।
আজিও আচয় খাৰি হাতত তোমাৰ।
পাসৰিলা গুণ সিতু গুৰু শঙ্কৰৰ।।
কাম কৰি ফুৰিলা লোকৰ ঘৰে ঘৰে।
তোমাৰ সিসৱ দুখ গুচাইলা শঙ্কৰে।।
পাসৰিলা কেনে তুমি সিসৱ গুণক।
নামাতন্তে যাইবে লাগে গুৰুৰ গৃহত।।
হেন শুনি বিপ্ৰবৰ ভৈলন্ত বিষণ্ণ।
বোলে মোক আৰু নুবুলিবা নাৰায়ণ।।
তোমাৰ পাচতে এতিক্ষণে যাও আমি।

এইবুলি নাৰায়ণ ৰামচৰণ ঠাকুৰৰ পিচতে আহি নাম কীৰ্তনত যোগ দিলে যথা সময়ত। উৎসৱৰ সকলো কাৰ্যসূচী সমাপ্ত হ'লত শ্ৰীৰমানন্দ ঠাকুৰে ব্ৰাহ্মণ সজ্জনক দান দক্ষিণা কৰি সেৱা ভক্তি জনাই বিদায় দিলে। সকলো ঘৰা ঘৰি গ'ল। কিন্তু দামোদৰ দেৱক পিছলৈ ৰাখি মাধৱদেৱে কেনেমতে ধৰ্ম প্ৰৱৰ্তন কৰিছে সুধিলে -

ব্ৰাহ্মণ সজ্জন লোক ঘৰাঘৰি গৈলা।
দামোদৰদেৱকযে মাধৱে বুলিলা।।
বোলে কোনমতে গুটি প্ৰৱৰ্তাহা তুমি।
তিনিগুটি কথা আৱে কোৱা শুনো আমি।।
হেন শুনি দামোদৰে কৈলা মাধৱক।
বোলে প্ৰৱৰ্তোহো আমি ভাগৱত মত।।
আৰু দুই গুটি কথা পাছে কৈহিলন্ত।
হেন শুনি মাধৱে তাহাঙ্ক বুলিলন্ত।।
বৰিষেক হৈছে গুৰু বৈকুণ্ঠে যাইবাৰ।
এতেকে লৰিল মতি জানিলো তোমাৰ।।
কৰ্মীৰ ধৰ্মৰ মত ধৰিলাহা যায়।
কলি যুগে তাক আচৰণে গতি নাই।।
পৰ্ব্বায়ে পাইলে তুমি গুৰুক এৰিলা।
অৰণ্য পশিয়া তুমি পথ হৰুৱাইলা।।
এহি বুলি কলা ৰত্ন এক্ষ জুৰি দিলা।
নিচাত কৰিয়া তাঙ্ক বচন বুলিলা।।

আপোনাৰ মতে তুমি প্ৰৱৰ্তাহা যাই।
তোমাৰ আমাৰ আৰ সম্ভাষণ নাই।।
গুৰু ধৰ্মক নাশা তাতেসে জানিলো।
তোমাৰ মনৰ কথা আজি আমি পাইলো।।
ভোগ ভকতিক তুমি পূজাফলে পাইবা।
কদাচিতো তুমি আৰু আমাকো নাপাইবা।।

...........................................................

গুৰুতো কৰিয়া তুমি ভকতি বঢ়াইলা।
বেজি বুলি আঙ্গুলীৰে ফটাকানি সিলা।।
এহি বুলি মাধৱ যেবে নামাতি ৰহিলা।
দামোদৰ তেবে উঠি ঘৰে চলি গৈলা।।

(ৰামচৰণ চৰিত্ৰ)

সেই দিন ধৰি দামোদৰ দেৱৰ লগত মাধৱদেৱৰ দেখাদেখি আৰু আলাপ আলোচনা নহ'ল। এই দৰেই গুৰুজনাৰ বৈকুণ্ঠ পয়ানৰ মাত্ৰ এবছৰ পিছতেই পৰৱৰ্তী মহন্তসকলে মহাপুৰুষীয়া একশৰণ নামধৰ্মৰ মাজত কৰ্মকাণ্ডৰ তন্ত্ৰ-সংযোগ কৰি পূজা-পাতল হোম যজ্ঞৰ ব্যৱস্থা ৰাখি মিশ্ৰিত ভক্তি প্ৰচাৰ কৰি প্ৰত্যেক একোজন একোজন স্বতন্ত্ৰ মহাপুৰুষ বুলি পৰিচয় দিয়ে।

দেউ মাধৱ পুৰুষৰ বৈকুণ্ঠ পয়ান হোৱাৰ লগে লগে তেৰাৰ পৰা মূল ভক্তি গ্ৰহণ কৰা মথুৰাদাস বুঢ়া আতা, যদুমণি আতা, গোপাল আতা, উজনীত পদ্ম আতা আৰু বদুলা আতা লগতে অন্যান্য ধৰ্ম প্ৰচাৰকসকলে গুৰু দুজনাৰ প্ৰৱৰ্তিত ধৰ্ম মতৰ লগত কিছু নিজা মত সংযোগ কৰি ধৰ্ম প্ৰচাৰত লাগিল। পৰিণামত এক মহাপুৰুষীয়া ধৰ্মত চাৰি সংহতিৰ সৃষ্টি হৈ কাৰো লগত কাৰো মিল নোহোৱা হৈ নানা খৰিয়াল আৰম্ভ হ'ল। শ্ৰীমাধৱদেৱে বৈকুণ্ঠ পয়ানৰ আগে আগে গুৰু বাক্য পালন কৰি আই মাতৃসকলৰ সাক্ষাতে সকলো ভকতকে সমবেত কৰি জনীয়া থানত গুৰুজনাৰ বৰপো বৰনাতি পুৰুষোত্তম ঠাকুৰক পূৰ্বৰ দৰেই সকলো শক্তি ভক্তি দি গুৰু ভাৰ অৰ্পন কৰি থৈ যায়। পুৰুষোত্তম ঠাকুৰ নাবালক আৰু অতি নম্ৰ সাধু প্ৰকৃতিৰ লোক আছিল। গতিকে গুৰুজনাৰ দ্বিতীয় পুত্ৰ বৰিচৰণ ঠাকুৰৰ পুত্ৰ শ্ৰীচতুৰ্ভূজ ঠাকুৰকো ধৰ্ম প্ৰচাৰত ঠাকুৰক সহায় কৰাত আইমাতৃসকলে আশীৰ্বাদ দিলে। দুজনা গুৰুৱে প্ৰৱৰ্তন কৰা শুদ্ধ, সনাতন একশৰণ হৰিনাম ধৰ্মত হোৱা নানা খৰিয়ালত অনেক অনুতাপ কৰি শেষত দুয়ো ভাতৃয়ে আলোচনা কৰি শৰণ ভজন আৰু নাম প্ৰসঙ্গৰ আৰ্হি বান্ধে। কালত সেই আৰ্হিকেই মহাপুৰুষ দুজনাৰ শুদ্ধ আৰ্হি অধিক সংখ্যক সন্ত মহন্তই গ্ৰহণ কৰাত বাকীবোৰ প্ৰভাৱ ম্লান হয়। সেই আৰ্হি

মতেই অদ্যাপিও সাতো বৈকুণ্ঠৰ শক্তি গুৰুজনাৰ জন্ম স্থান বৰদোৱাত চলি আছে।

এই পুৰুষোত্তম আৰু চতুৰ্ভূজ ঠাকুৰো আমাৰ দৰে সাধাৰণ লোক নাছিল। পৰম ব্ৰহ্ম ভগৱন্তই ভূমিৰ ভাৰ হৰণ, ধৰ্ম সংস্থাপন, সন্তৰ ৰক্ষণৰ কাৰণে পূৰ্ণ শক্তি লৈ যিমান বাৰ অৱতাৰ ধাৰণ কৰিছে প্ৰত্যেক বাৰতে চাৰি অংশে অহাৰ প্ৰমাণ আছে আৰু মহাপুৰুষীয়া ধৰ্মও প্ৰতি সাধন ক্ৰমতে চাৰি বস্তুৰ প্ৰকাশ থকা তত্বৰ গূঢ় ৰহস্যও নিহিত আছে। সেই কথা গুৰুজনে নিজ মুখে বঢ়াৰ পো মাধৱক তত্ব উপদেশ দিওতে কৈছে -

ৰামচন্দ্ৰ ভৰত লক্ষ্মণ শত্ৰুঘন।
ত্ৰেতাত আছিল জানা এহি চাৰিজন।।
কৃষ্ণ বলোভদ্ৰ অনিৰুদ্ধ শঙ্কৰসন।
দ্বাপৰত আসি ভৈলা এহি চাৰিজন।।
তুমি আমি সমে আসি ভৈলো উতপন।
পুৰুষোত্তম চতুৰ্ভূজ এহি চাৰিজন।।
তোমাক কহিলো মই পৰম ৰহস্য।
ভক্তিবলে তুমি মোক কৰিলাহা বশ্য।।
দেৱঋষি ব্ৰহ্মঋষি যতেক আছয়।
কৃষ্ণে অৱতাৰে যত মহিমা আছয়।।
ই বেলিসে মই পূৰ্ণ অৱতাৰ ভৈলো।
পৰম ৰহস্য ৰত্ন ভাণ্ড মেলি দিলো।।

বুলি ৰহস্য তত্ব প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও গুৰুজনাৰ অৱতাৰৰ বহুকাল পূৰ্বে 'স্বাত্বতন্ত্ৰ' নামে শাস্ত্ৰত শিৱই পাৰ্বতীক কৈছিল। পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণই শঙ্কৰদেৱ হ'ব, বলোভদ্ৰই মাধৱদেৱ হ'ব, প্ৰদ্যুম্নই পুৰুষোত্তম হ'ব আৰু অনিৰুদ্ধ চতুৰ্ভূজ নামে শ্ৰীনাৰায়ণ চাৰিঅংশে অৱতাৰ হ'ব।

শ্লোক - শঙ্কৰো পৰম ব্ৰহ্ম মাধবৈস্য হলাযুধ।
চতুৰ্ভূজ শ্বানিৰুদ্ধস্থ প্ৰদ্যুম্নো পুৰুষোত্তমঃ।।

(স্বাত্বতন্ত্ৰ)

এতেকে গুৰুদুজনা বৈকুণ্ঠগামী হোৱা পিছত হ'লেও একে পূৰ্ণ ব্ৰহ্মাই চাৰি অংশে অৱতাৰ গ্ৰহণ কৰা বাকী দুগৰাকী পুৰুষোত্তম আৰু চতুৰ্ভূজ ঠাকুৰে প্ৰসঙ্গৰ যি প্ৰণালী বান্ধিলে সেয়া দুজনাগুৰুৰ শুদ্ধ আৰ্হি বা প্ৰণালী হয় বুলি গ্ৰহণ কৰাৰ যুক্তি যুক্ততা উলাই কৰিব নোৱাৰি। মহাসূৰ্য আৰু মহাঅগ্নিক বস্ত্ৰাৱৰেণেৰে ঢাকি ৰখাৰ যেনেকৈ কাৰো ক্ষমতা নাই, সকলো আৱৰণ ভেদ কৰি কালত প্ৰকাশ হ'বই, সেইদৰে যুগধৰ্ম প্ৰৱৰ্তক মহাপুৰুষ গুৰুজনাৰ শুদ্ধ সনাতন এক শৰণ হৰিনাম ধৰ্মক ছাই জাবৰ দি ঢাকি নিজে প্ৰকাশ হ'বলৈ যিমানেই ষড়যন্ত্ৰ নকৰক কালত সি আপোনা আপুনি প্ৰকাশ লাভ কৰিলে। সংহতিৰ নানা দণ্ড খৰিয়ালৰ প্ৰচণ্ড দেৱাল ভাঙি আজিৰ পৰা প্ৰায় তিনিকুৰি বচৰ পূৰ্বেই নগাঁও জিলাৰ মহাপুৰুষীয়া পালনাম সমাজৰ প্ৰতিষ্ঠাতা স্বনামধন্য প্ৰাতঃস্মৰণীয় প্ৰয়াত নন্দিৰাম দাস আতা পুৰুষ প্ৰমুখ্যে সঙ্গী ভক্তবৃন্দই আৰু অসম শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰতিষ্ঠাতা প্ৰয়াত ৰমাকান্ত কলিতা (মুক্তিয়াৰ আতা) সঙ্গী ভকতসকল মিলি চাৰিও সংহতিৰ সত্ৰাধিকাৰ সকলৰ লগত মুখামুখি আলাপ আৰম্ভ কৰি মহাপুৰুষীয়া ধৰ্ম সংস্কাৰৰ আন্দোলন গঢ়ি তুলিলে। তাৰেই ফলশ্ৰুতিত হেজাৰ হেজাৰ লোকে পূৰ্বৰ সংহতিৰ মোহ এৰি আন্দোলনত জপিয়াই পৰিল। ফলত মহাপুৰুষৰ শুদ্ধ একশৰণ ধৰ্মই পুনৰ প্ৰতিষ্ঠা লাভ কৰিলে যদিও সেই আতা পুৰুষসকল বৈকুণ্ঠগামী হোৱাৰ পিচত পৰৱৰ্তী স্বাৰ্থ ও অৰ্থলোভী এচাম একশৰণীয়া ভকতৰ মাজত গুৰু গাদীৰ কাৰণে পুনৰ দণ্ড খৰিয়াল আৰম্ভ কৰিলে। একশৰণত কোনো আঘাত নলগা সৰু সৰু সামাজিক আচাৰ নীতি পালনৰ বিধি ব্যৱস্থাৰ পাৰ্থক্য দেখুৱাই বিভিন্ন নামাকৰণেৰে বহু সমাজ সংঘৰ জন্ম দি পুৰুষানুক্ৰমে নিজ পৰিয়ালতে ধৰ্মৰ গাদী অধিকাৰ কৰাৰ কৌশলো অৱলম্বন কৰি পূৰ্বৰ চাৰি সংহতিৰ ঠাইত বহু সংহতিৰ জন্ম দি লোক সমাজত মহাপুৰুষীয়া ধৰ্মত অপযশ অনাৰ উপৰিও অসমীয়া জাতীয় ঐক্য সংহতিও বিনষ্ট কৰি সংকটৰ মাজলৈ ঠেলি দিয়াৰ কথাও কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

যিজনা মহাপুৰুষে বিভিন্ন ধৰ্মাৱলম্বী লোকক আনি ধুৱাই পখলাই নানা শাস্ত্ৰীয় যুক্তিৰে বুজাই বঢ়াই মোহ আৰু অন্ধকাৰ দূৰ কৰাই একশৰণ ধৰ্ম দান কৰি গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মিকিৰৰ জয়হৰি, কৈৱৰ্তৰ ধ্বজা বনবৰা আনকি যৱনৰ চান্দসাইক ভকত কৰি এখন মাত্ৰ ধৰ্মীয় সমাজ কৰি বিশ্বৰ দৰবাৰত এক মহান আদৰ্শ প্ৰতিষ্ঠা কৰি জগতগুৰু বুলি পৰিচয় দি গ'ল। সেইজনা গুৰুৰ নামত প্ৰতিষ্ঠিত সমাজৰ একশৰণীয় লোকসকলৰ ভিতৰতে ইখন সমাজৰ ভকতে সিখন সমাজৰ ভকতৰ লগত বহি খোৱামেলা কৰাতো বাদেই আনকি একেলগে বহি সামাজিক কথা-বতৰা আলাপ-আলোচনা কৰিব নোৱাৰা অৱস্থাত পৰিণত হৈছে। বৰ্তমান অসমত প্ৰায় ডেৰকুৰিখনৰো অধিক সমাজ গঠন হৈ কাৰো লগত কাৰো সম্পৰ্ক নোহোৱা হৈছে।

সেয়েহে এক শ্ৰেণীৰ চিন্তাশীল ব্যক্তিয়ে নিজ নিজ সমাজৰ মোহ ত্যাগ কৰি এজন মহাপুৰুষৰ প্ৰবৰ্তিত একশৰণ নামধৰ্মৰ বিভিন্ন সমাজক একত্ৰিত কৰি এখন মাত্ৰ শক্তিশালী মহাপুৰুষীয়া সমাজ গঠন কৰিবলৈ আজি দুই তিনিবছৰ ধৰি যি প্ৰচেষ্টা চলাইছে তাৰেই ফলশ্ৰুতি হিচাপে 'একশৰণ নামধৰ্ম সমাজ অসম'ৰ আহ্বানত আৰু 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ সমাজ অসম'ৰ সক্ৰিয় সহযোগত ১০/১১ খন সমাজ মিলি বিগত

# সম্পাদকীয়



শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাহি নাহি নাহি
আমাৰ পৰম গুৰু।।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামধৰ্ম সমাজ, অসম নামৰ এই অনুষ্ঠানটি অসমৰ বৈষ্ণৱ ভক্তি মাৰ্গৰ একান্ত ভকতসকলৰ দ্বাৰা গঠিত এক সু প্ৰতিষ্ঠিত ধৰ্মীয় অনুষ্ঠান। গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্তিত নামধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বেলিকা প্ৰয়োজনীয় নীতি সদাচাৰ আৰু সংবিধান প্ৰণয়ন কৰাৰ উপৰিও নিৰ্দ্ধাৰিত সংস্কাৰ আৰু সেৱা কাৰ্যসমূহ সুচাৰু ৰূপে হোৱাৰ ওপৰত লক্ষ্য ৰাখি কিছু নীতি নিবন্ধ সম্বলিত "প্ৰসঙ্গ প্ৰণালী" এভাগো লিখিত ৰূপত পুস্তক হিচাপে প্ৰকাশ কৰি অহা হৈছে। প্ৰকাশিত পুস্তকভাগৰ নাটনি হোৱাত, ভক্ত বৈষ্ণৱসকলৰ টাগিদাত ৰাজ্যিক কাৰ্য নিৰ্বাহক আৰু সাধাৰণ পৰিষদ সভাৰ সিদ্ধান্ত মৰ্মে পুনঃ মুদ্ৰণ কৰি ভকতসকলৰ মাজলৈ আগবঢ়োৱা হ'ল। প্ৰসঙ্গ তথা নামভাগ

১৬, ১৭, ১৮ জানুৱাৰী /১৯৯৩ তাৰিখে বিশ্বনাথ চাৰিআলি কোঁচগাওঁ কীৰ্তন গৃহ প্ৰাঙ্গণত এক ঐতিহাসিক অভিৱৰ্তন অনুষ্ঠিত হয়। সেই অভিৱৰ্তনতে বিভিন্ন সমাজৰ প্ৰতিনিধি ভক্তসকলে গভীৰ চিন্তা চৰ্চাৰে পূৰ্বৰ স্থিতি ত্যাগ কৰি এই 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামধৰ্ম সমাজ, অসম'ৰ জন্ম দি সংবিধান, সদাচাৰ বিধি, বিবাহ বিধিৰ লগতে ওপৰত উল্লেখ কৰা দুজনা গুৰুৰ আজ্ঞাপৰ মহাপুৰুষীয়া ধৰ্মাচাৰ্য শ্ৰীপুৰুষোত্তম আৰু চতুৰ্ভূজ ঠাকুৰে বান্ধি যোৱা মতেই এই প্ৰসঙ্গ প্ৰণালীখনি যুগুতাই সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰা হৈছে। অৱশ্যে নৱগঠিত সমাজৰ অনেক বাপ বান্ধৱৰ অনুৰোধত অতি কম সময়ৰ ভিতৰতে যুগুতাব লগা হোৱাত আমাৰ বহু ভুল ত্ৰুটি ৰৈ যোৱা স্বাভাৱিক। বিভিন্ন সমাজ আৰু আমাৰ সমাজৰো সাধু সন্ত বাপ-বান্ধৱসকলে আমাৰ অজানিতে ত্ৰুটিসমূহ কৃপা কৰি আঙুলিয়াই দি আমাক সহায় কৰিলে তেৰাসকলৰ ওচৰত আমি চিৰকৃতজ্ঞ থাকিম আৰু পৰৱৰ্তী সংস্কৰণত তাক সন্নিবিষ্ট কৰিবলৈ চেষ্টা কৰা হ'ব। সৰ্ব শেষত নৱগঠিত বাপ-বান্ধৱ আৰু ভক্ত বৈষ্ণৱৰ চৰণত সেৱা জনাই এই পুস্তিকাখনি তুলি দি বৰ্তমান এই মতেই প্ৰসঙ্গাদি কৰি নিত্যকৰ্ম কৰিবলৈ প্ৰাৰ্থনা জনাই হ'ব পৰা অপৰাধৰ বাবে ক্ষমা বিচাৰি সামৰা হ'ল।

সৱ অপৰাধক বাধক তুৱা নাম
তাহে শৰণ লেহু জানি।

ইতি-

সেৱাৰে

দাসানুদাস

শ্ৰীফণী দাস, সভাপতি, তত্ত্ব পৰিষদ
**মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামধৰ্ম সমাজ, অসম**



পৰিবেশনত ল'বলগীয়া ব্যৱস্থাৰ ভিতৰত মূল বিষয়ৰ ক্ষেত্ৰত পূৰ্বৰ দৰেই ৰাখি, সৰু সুৰা দুই-চাৰিটা খুটি-নাটিৰ সংশোধনী সমিতিৰ দ্বাৰা সংশোধন ঘটোৱা হৈছে।

আশাকৰো ভকত-বৈষ্ণৱ, বাপ-বান্ধৱ সৱে প্ৰসঙ্গ প্ৰণালীত লিপিবদ্ধ ক্ৰম অনুযায়ী কৰণীয় খিনি কৰি সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখিব আৰু সমাজখনকো সু শৃংখলিত ভাবে আগুৱাই নিব। এয়ে ভৰসা।

আপোনাসবৰ শ্ৰীচৰণলৈ আমাৰ অজানিত ভুল-ভ্ৰান্তিৰ মাৰ্জনাৰে সেৱা আগবঢ়ালো। এই প্ৰসঙ্গতে সংশোধনী সমিতি আৰু মাল্টি-মেডিয়া প্ৰেছৰ স্বত্বাধিকাৰ আৰু কৰ্মচাৰী বৃন্দৰ প্ৰতি কৃতজ্ঞতা জনালোঁ। দোষ মাৰ্জনাৰে -

কোটি কোটি ঘোৰ অপৰাধ নিতে
কৰো আমি দুৰাশয়।
হে হৰি মোক দাস হেন মানি
ক্ষমিয়োক কৃপাময়।।

সেৱাৰে -

শ্ৰীটংকেশ্বৰ বৰা
প্ৰধান সম্পাদক
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ
নামধৰ্ম সমাজ ঃ অসম

প্ৰধান সম্পাদকৰ কাৰ্যালয়
তাং ১১/০৩/২০১২

# নাম প্ৰসঙ্গৰ নিয়মাৱলী
## (ক দফা)

***নামঘৰ ঃ*** *ৰাজহুৱা নামঘৰৰ উপৰিও প্ৰতি গৃহস্থীৰ নামঘৰ থকাটো নিত্যান্ত বাঞ্চনীয়।*

১। স্থায়ী নামঘৰ বা গুৰু আসনৰ সন্মুখত কৰা প্ৰসঙ্গ অকলে বা সম্ভৱ হ'লে পৰিয়ালৰ আটাইকেউজন বহি কৰিব। প্ৰসঙ্গৰ আৰ্হি আৰু ক্ৰম দিয়া হৈছে।

২। কোনো বিশেষ পৰ্ব বা সকাম-নিকামত স্থায়ী নামঘৰ নাথাকিলে সেই স্থানত অস্থায়ী থাপনা পাতি বন্তি, গুৱাপান, ধূপ, ধূনা, অৰ্চনি আদি দি মাহ প্ৰসাদ আদি আগবঢ়াব। প্ৰসঙ্গ ভাগৰ বেলিকা সম্পূৰ্ণকৈ সজাই শৰাইভাগো পাতিব পাৰিব।

৩। অস্থায়ী থাপনাৰ ভেটিভাগ শুদ্ধ স্থানৰ পৰা খান্দি অনা মাটিৰে নিৰ্মাণ কৰিব। কাৰ্য সমাপনৰ পাছত মাটিখিনি শুদ্ধ পাত্ৰত ভৰাই লৈ জলাশয়ত বা শুদ্ধ স্থানত বিসৰ্জন দিব।

৪। স্থায়ী বা প্ৰতিষ্ঠিত অস্থায়ী গুৰু আসনৰ সন্মুখত সকলো সময়তে ক্ৰম ৰক্ষা কৰি প্ৰসঙ্গ কৰিব। বিবাহ, সংস্কাৰ বা অন্যান্যত মাথোন বৰগীতৰ পৰাই প্ৰসঙ্গ আৰম্ভ কৰিব।

৫। অস্থায়ী থাপনাৰ চাৰিখুটিত বগা কাপোৰেৰে বেষ্টনীযুক্ত কৰি ল'ব। সন্মুখ ভাগ খোলা ৰাখিব।

৬। থাপনাত গুণমালা পুথি আগ কৰাতো যুক্তিপূৰ্ণ। পুথিভাগ নতুন শুভ্ৰ ফুলাম বস্ত্ৰৰে আচ্ছাদন কৰি ৰাখিব।

৭। সমাজৰ আজ্ঞাৰে নামাচাৰ্যসকলে তিনি বস্ত্ৰৰে নীতি ৰক্ষা কৰি আসন ল'ব। চেলেঙৰ আচলৰে আঠু ঢাকি প্ৰকৃতি স্বৰূপ হৈ গুৰু বস্ত্ৰ গামোচা ভাগ ডিঙিত বা কান্ধত লোৱাটো বাঞ্চনীয়।

৮। নামাচাৰ্য, দোহাৰ, পাঠক তিনিওজনে প্ৰাৰ্থনাৰে সমাজক সেৱা জনাই নামাচাৰ্যৰ সোঁফালে পাঠক আৰু বাওঁফালে দোহাৰৰ আসন ল'ব আৰু বাকী ভকতসকল অৰ্ধ বৃত্তাকাৰে বহিব। নামাচাৰ্যসকলে নামৰ শেষত সমাজলৈ সেৱা ধৰিব।

৯। বৰগীত গাঁওতে, পাঠ পঢ়োতে বাকী ভকতে পাছৰ পদ নধৰিব। সমুখত পুথিভাগ মেলি লোৱাতো দোষণীয় নহয়।

১০। মালা জপাৰ ব্যৱস্থা থাকিলে, মালা জপাৰ সময়ছোৱাত সৰ্বতোপ্ৰকাৰে মৌনতা ৰক্ষা কৰিব।

১১। খোল প্ৰসঙ্গৰ ব্যৱস্থা হ'লে প্ৰথমে খোল প্ৰসঙ্গ কৰি পিচত নাম ধৰিব। কাৰ্যতঃ বেলেগ নামাচাৰ্যই নাম ধৰিব লগা হ'লে গায়নজন, পালী গায়নসব, নামাচাৰ্যৰ পিছতে শাৰী হৈ বহিব। গায়নৰ সোঁৱে-বাৱে বায়ন বহিব। খোল প্ৰসঙ্গৰ পিছত জয় নিদিব, নামাচাৰ্যই আসন ত্যাগ নকৰালৈকে তেখেতসকলেও আসন নেৰিব। বিশেষ কাৰণত সলনিৰ প্ৰয়োজন হ'লে এজনক উপবিষ্ট কৰাব।

১২। আগতিয়াকৈ ব্যক্তিগত ভাবে গুৰু বন্দনা কৰিলেও প্ৰসঙ্গীয়া নামৰ বেলিকা নামাচাৰ্যই আসন লৈ গুৰু বন্দনাভাগ আগবঢ়াব।

১৩। সমাজলৈ দ্ৰব্য আগবঢ়োৱাৰ পিচত সমাজ বা গৃহস্থই উপলক্ষ্য ব্যাখ্যা কৰি সপৰিয়াল,

বাপ-বান্ধৱৰ আদিয়ে দ্ৰব্য অৰ্চনৰ আৱাহণ সেৱা ধৰিব। পিচত নামাচাৰ্যই উপলক্ষ্য অনুসৰি কীৰ্তন দিব।

১৪। ব্যক্তিগত বা ঘৰুৱা নাম প্ৰসঙ্গৰ বাহিৰে ৰাজহুৱা স্থানত অনুষ্ঠিত হোৱা নাম প্ৰসঙ্গত অন্যান্য লোকেও অৰ্চনিসহ গুৱা-পান আগবঢ়াই উপলক্ষ্য ব্যাখ্যা কৰি সেৱা ধৰিব পাৰিব।

১৫। সাধাৰণতে উপলক্ষ্য সেৱা দুপৰীয়া বা সন্ধ্যাৰ ভাগতে হয়। মৃতকৰ তিথি, বিবাহ, অপৰাধ ভঞ্জন, সংস্কাৰ কাৰ্য, গুৰু তিথি, গুৰু জয়ন্তী, ৰাস আদি উৎসৱত, উপলক্ষ্য অনুযায়ী নিৰ্ণায়াত্মক কীৰ্তন দিব। ভুলকৈ গায় অপৰাধ কৰাৰ বিপৰীতে পুথি চাই শুদ্ধকৈ গোৱাটো দোষণীয় নহয়।

শেষত চাৰিভাগ ওপৰিঞ্চি নিৰ্ণায়ত্মক কীৰ্তন দিয়া হৈছে।

১৬। সৰ্বশেষত সামূহিক ভাবে অপৰাধ ভঞ্জন ঘোষা গাই শেষ কৰিব।

১৭। বসবাস কৰি থকা কোঠাৰ ভিতৰত অস্থায়ী ভাবে আসন পাতি নাম গায় চাৰিজয় দিয়াতো অবিধেয়। অৱশ্যে ৰভা তলত কৰা প্ৰসঙ্গত চাৰিজয় বিধেয়।

১৮। বন্তি এগছ জলাব আৰু আসনলৈ সন্মুখ কৰি বাওঁহাতে ৰাখিব।

১৯। **নাম বৰঙণি -**

সংবিধানৰ বৰঙণি শিতানৰ ১৫ নং দফাৰ ৬ নং অনুচ্ছেদ মতে অৰ্চন কৰিব।

**অতিৰিক্ত**

**(খ দফা)**

১। মূল আসনৰ পৰাহে জয় ঘোষণা হ'ব।

২। কীৰ্তন এভাগ বা দুভাগ দিয়াটো সময় আৰু সুবিধা অনুযায়ী ব্যৱস্থা ল'ব।

৩। নামৰ প্ৰথম ক্ৰম আৰম্ভণিৰ আগতে নাম জপ কৰিব।

৪। কীৰ্তন এভাগতকৈ বেছি গাব খুজিলে - দোহাৰৰ আসনত থকাজনে দ্বিতীয় কীৰ্তন নামাচাৰ্যই দিয়া কীৰ্তনৰ পাছৰ কীৰ্তন দি ক্ৰম ৰক্ষা কৰিব।

৫। দেউৰীসকলে প্ৰসাদাদি সকলোকে সমভাবে বিতৰণ কৰিব।

৬। দেউৰী বিলনীয়াসকলে প্ৰসাদ বা যিকোনো দ্ৰব্য প্ৰস্তুত কৰা আৰু বিলোৱাৰ সময়ত নিজৰ দূষিত পদাৰ্থ, নাকৰ নিশ্বাস, মুখৰ ভাপ লগতে অকস্মাতে আহিব পৰা হাঁচি, কাঁহৰ বায়ুৰ ছাপ যাতে দ্ৰব্যত পৰিব নোৱাৰে সেইবাবে তেখেতসকলৰ মুখত কাপোৰৰ আৱৰণ থাকিব লাগিব। প্ৰয়োজনীয় বুলি গণ্য কৰক।

৭। দেউৰী বিলনীয়াসকলে (ভকতসকলৰ দ্ৰব্য বা আহাৰ গ্ৰহণ কৰাৰ আগতে) বিতৰণৰ, অপৰাধ ভঞ্জন ঘোষা গায় সমাজত সেৱা ধৰিব।

৮। প্ৰসাদ লোৱাৰ অন্তত দেউৰী বা বিলনীয়া এজনে ভকতক হাত মুখ ধুৱৰ বাবে আজ্ঞা কৰিব।

৯। সৰ্বশেষত গৃহস্থই বিদায় সম্ভাষণ জনাই ঘোষা গায় সেৱা জনাব। ভকতে হৰিধ্বনি কৰিব আৰু বিদায় ল'ব।

**ওপৰিঞ্চি ঃ** ৰাষ্ট্ৰ বিপ্লৱ, মহামাৰী, সঙ্কটকাল আদিত পাঠ, নাম কীৰ্তন, জপ আদি অধিককৈ অনুষ্ঠিত কৰিব। ৰাজহুৱা ভাবে নামঘৰত আইমাতৃ, বাপ-বান্ধৱ সকলোৱে মিলি কীৰ্তন বা জপ আদিৰ উপৰিও গাঁওখনত হৰি কীৰ্তন কৰি ভ্ৰমণ কৰিব।



# নাম প্ৰসঙ্গৰ ক্ৰম তথা সূচী

**প্ৰসঙ্গ সূচী ঃ**

| | | |
|---|---|---|
| **(ক) প্ৰাতঃ প্ৰসঙ্গ** | - | পুৱা পোহৰ হোৱাৰ ঠিক আগৰ পৰা। |
| **(খ) দুপৰীয়া প্ৰসঙ্গ** | - | ৯ বজাৰ পৰা ১২ বজালৈ। |
| **(গ) বিয়লি প্ৰসঙ্গ** | - | ১২ বজাৰ পৰা সূৰ্যাস্তৰ আগলৈকে। |
| **(ঘ) সন্ধ্যা প্ৰসঙ্গ** | - | সূৰ্যাস্তৰ পাছত। |

**চাৰি প্ৰসঙ্গৰ পদ্ধতি**

এই চাৰিও প্ৰসঙ্গৰ প্ৰতি প্ৰসঙ্গতে বৰগীত ভাগ গোৱাৰ আগতে সামূহিক ভাবে গুৰু বন্দনা (শ্ৰীমন্ত শঙ্কৰ) গাব।

**(ক) প্ৰাতঃ প্ৰসঙ্গ**

১। মহাপুৰুষ সংগী ভকতসকলৰ নামাৱলীৰ পাঠ।
প্ৰাতঃ ভটিমা (ছয় বজাৰ পাছত নাগাব)।
চতিহা।
] বিশেষ ভাবে পাল নামত প্ৰযোজ্য।

২। বৰগীত

শ্যাম, কল্যাণ, অহৰি যিকোনো এভাগ বৰগীত। বৰগীতভাগ খোল-তালেৰে গালে নামাচাৰ্যই বেলেগে গাব নালাগে। সূৰ্যোদয়ৰ আগত জাগৰণ গীত আৰু সূৰ্যোদয়ৰ পাছত খেলন বা চলনৰ গীত সময় অনুসৰি গাব।

৩। কৃষ্ণ ডাকিব।

৪। ঘোষাৰ নাম ছন্দৰ চাৰি ফাঁকি গাব।

৫। কীৰ্তন।

৬। সামৰিণ। মৃদুভাবে তালৰে সামৰিব।
তিনি ৰাম প্ৰকাশ্য, চতুৰ্থ ৰাম হৃদয়ত স্থাপন হ'ব।

৭। জয় ঘোষণা ঃ

জয় ৰাম
জয় নাৰায়ণ
জয় কৃষ্ণ
জয় জগতগুৰু শ্ৰীমন্ত শঙ্কৰ।

৮। পাঠ।
৯। গুৰু বন্দনা।
১০। সেৱা।
১১। নামাচাৰ্যই আষন এৰিব আৰু অপৰাধ ঘোষিব।

## (খ) দুপৰীয়া প্ৰসঙ্গ

১। ৰাগ- কৃষ্ণ শঙ্কৰ গুৰু হৰি ৰাম।
২। বৰগীত - শ্যাম, কৌ, অহিৰ ৰাগৰ যিকোনো এভাগ বৰগীত।
৩। কৃষ্ণ ডাকিব।
৪। ঘোষাৰ নাম ছন্দৰ চাৰিভাগ ঘোষা গাব।
৫। কীৰ্তন।
৬। সামৰণি- মৃদুভাবে তালৰে সামৰিব। তিনি ৰাম প্ৰকাশ্য, চতুৰ্থ ৰাম হৃদয়ত স্থাপন।
৭। জয় ঘোষণা ঃ

জয় ৰাম
জয় নাৰায়ণ
জয় কৃষ্ণ
জয় জগতগুৰু শ্ৰীমন্ত শঙ্কৰ।

৮। পাঠ।
৯। গুৰু বন্দনা।
১০। সেৱকীৰ সেৱা।
১১। নামাচাৰ্যসকলৰ আসন এৰাৰ অপৰাধ ঘোষণা। ভকত ভগৱন্তলৈ।

## (গ) বিয়লি প্ৰসঙ্গ

১। ৰাগ- কৃষ্ণ শঙ্কৰ গুৰু হৰি ৰাম।
২। বৰগীত - আশোৱাৰী, ভাটিয়ালী, গৌৰী, বসন্ত। যিকোনো এভাগ বৰগীত।
৩। কৃষ্ণ ডাকিব।
৪। ঘোষাৰ ঘোষা ছন্দ। চাৰিভাগ ঘোষা গাব।
৫। কীৰ্তন।
৬। সামৰিণ - মৃদুভাবে তালৰে সামৰিব। তিনি ৰাম প্ৰকাশ্য, চতুৰ্থ ৰাম হৃদয়ত স্থাপন।
৭। জয় ঘোষণা ঃ



জয় ৰাম
জয় নাৰায়ণ
জয় কৃষ্ণ
জয় জগতগুৰু শ্ৰীমন্ত শঙ্কৰ।

৮। পাঠ।
৯। গুৰু বন্দনা।
১০। সেৱকীৰ সেৱা।
১১। নামাচাৰ্যসকলৰ আসন এৰাৰ অপৰাধ ঘোষণা। ভকতভগৱন্তলৈ।

## (ঘ) সন্ধ্যা প্ৰসঙ্গ

১। গুৰু ভটিমা।
২। দেৱ ভটিমা।
৩। গুণমালা।
৪। টোটয়।
৫। চপয়।
৬। লীলামালা।
৭। বৰগীত। ভাটিয়ালী, গৌৰী, বসন্ত আৰু আশোৱাৰী ৰাগৰ যিকোনো এভাগ।
৮। কৃষ্ণ ডাকিব।
৯। ঘোষাৰ ঘোষা ছন্দ চাৰি ফাঁকি।
১০। কীৰ্তন।
১১। সামৰণি। মৃদুভাৱে তালৰে তিনি ৰাম প্ৰকাশ্য চতুৰ্থ ৰাম হৃদয়ত স্থাপন।
১২। জয় ঘোষণা ঃ

জয় ৰাম
জয় নাৰায়ণ
জয় কৃষ্ণ
জয় জগতগুৰু শ্ৰীমন্ত শঙ্কৰ।

১৩। পাঠ।
১৪। গুৰুবন্দনা।
১৫। সেৱকীৰ সেৱা।
১৬। নামাচাৰ্যৰ আসন এৰাৰ অপৰাধ ঘোষণা। ভকত ভগৱন্তলৈ। ● ● ●

(ক) প্ৰাতঃ প্ৰসঙ্গ অধ্যায় –

**(১ম ক্ৰম) মহাপুৰুষৰ সঙ্গীসকলৰ নামাৱলী ঃ**

ৰাম ৰাম সৰ্বজয় হৰি দামোদৰ।
ৰাম দাস নাৰায়ণ প্ৰিয় শঙ্কৰৰ।।
উদাৰ গোবিন্দ কণ্ঠ ভূষণ আতৈ।
বলোৰাম বনমালী কোঢ়োলা বাঢ়ৈ।।
শ্ৰীৰাম গোবিন্দ হৰি বিষ্ণু জনাৰ্দন।
বলোভদ্ৰ হৰিহৰ ৰাম যে ভূষণ।।
কেশৱ মথুৰা দাস হৰি যদুমণি।
গোপাল অচ্যুত আৰু ভক্ত মাজে গণি।।
বৈকুণ্ঠ দেউৰী কৃষ্ণ আৰু জয়ানন্দ।
নাৰায়ণ নিৰঞ্জণ পৰমাযে নন্দ।।
মুকুন্দ মুৰাৰী আতা পদ্ম লক্ষীকান্ত।
মহাপুৰুষ এন্তে ভকত একান্ত।।
নৰহৰি শ্ৰীহৰি আৰু জয়ানন্দ।
গাৰোৰ গোবিন্দ শুকজন সদানন্দ।।
ভক্ত চৰণ ভকতধুলি সৰুভকত দাস।
মহাপুৰুষ এন্তে নচাৰন্ত পাশ।।
ৰাম কৃষ্ণ বাসুদেৱ আৰু মধুৰাম।
ৰামগতি হৰিগতি বনমালী ৰাম।।
পূৰ্ণানন্দ জীৱন পৰমানন্দ সাৰ।
মহাপুৰুষক সেৱা কৰে বাৰম্বাৰ।।
ৰামকৃষ্ণ নাৰায়ণ ৰাম কৃষ্ণহৰি।
ভকত চৰণ ভকত দাস নিৰঞ্জন হৰি।।
কানাই কমলাকান্ত কমল লোচন।
পৰীক্ষিত হৰিহৰ ভক্ত নিৰঞ্জন।।
গোবিন্দ পৰশুৰাম আৰু কৃষ্ণৰাম।
জগন্নাথ নাৰায়ণ আতি অনুপাম।।



সনাতন কানুৰাম আৰু নিৰাময়।
দয়াময় হৰিজয় ভক্ত মহাশয়।।
ভাস্কৰ যে গুৰু হৰি আৰু গোকুল চান্দ।
ৰামৰায় ভীমৰায় ভকত একান্ত।।
বুঢ়া দৈৱজ্ঞ শিমলুৱাৰ শ্ৰীৰাম।
ৰতিকান্ত হৰিদাস বনিয়া যাৰ নাম।।
ৰতিৰাম কাতিৰাম বুঢ়ীৰ পো পৰমানন্দ।
শঙ্কৰ গুৰুক ভজে আতি কৰিয়া আনন্দ।।
শৰ্পেদংশা গোবিন্দ কাণ খোচৰা গোবিন্দ।
ঘোৰিয়া গোবিন্দ নাৱভঙ্গা যে গোবিন্দ।।
চক্ৰপাণি লক্ষ্ণা নতুৱা শুদ্ধমতি।
নৰসিংহ পেটুৱাই কৰন্ত ভকতি।।
বনগঞা গিৰি আৰু হেঙুলীয়া গিৰি।
আৰা সৰে থাকে নিতে গুৰু সেৱা কৰি।।
ধ্বজা বনবৰাই পালি থাকে আশ।
উৱনা বকনা চাৰি গুৰুজনাৰ দাস।।
মাধৈ মালতি থাকে চৰণ উপাশি।
গুটিমালী চন্দৰি চাৰি গুৰুজনাৰ দাসী।।
ইসৱ প্ৰমুখ্যে ভক্ত আছে যত যত।
শিৰে ধৰি প্ৰণামো সৱাৰো চৰণত।।
ছয় কুৰি ছয় ভক্ত আছে যত যত।
একেবাৰে প্ৰণামো সবাৰো চৰণত।।
পৰম সম্পদ পাই আক যিটোজনে।
ভকতৰ সঙ্গ পায় ভকতিৰ গুণে।।
মাধৱৰ চৰণত কৰিয়া প্ৰণতি।
কহয় পুৰুষোত্তম দীনহীন মতি।।

●●●

(২য় ক্ৰম) ভাট্টিমা ঃ-

প্ৰাতস সময়ে যশোৱা জননী
মুখ চুম্বিত শ্যাম জগাৱনকো।
উঠ মেৰে লাল মদন গোপাল
আৱে তেৰে গোৱাল বলৱনকো।।
অৱৰুটিয়া লেহু মাখন চঞ্চুপৰি
মুৰুলী লেহু শ্যাম ৰজাৱনকো।
বৃন্দবনে যোহি আনন্দ কৰু
যমুনা তটে ধেনু চৰাৱনকো।।
ছোড়ি ভৱন চলহু নন্দ-নন্দন
গোধন চাৰণ কাৰণৰে।
দাম সুদাম সখা সৱ মিত
আনন্দে গোবিন্দ খেৰি খেলাৱতৰে।।
শত শত যৎস বিমল চৰণ
নবীন চাবিন চলাৱতৰে।
শিঙ্গা উপাঙ্গা বেণু মুহ বাজত
হেৰি গোৱাল ভুলাৱতৰে।।
গিৰি পতি ধ্যান ত্যেজি অৱধান
মুৰাৰীক সান বিমোহিতৰে।
তুঁহ জগন্নাথ কি দাস কি মাধৱ
মুহ ভৰি ৰাম কৰাৱতৰে।।

(৩য় ক্ৰম) চতিহা ঃ

কই বোলে - কলি যুগে ৰাম নামে সাৰ।
খই বোলে - খনে খনে কৰিও উদ্ধাৰ।
গই বোলে - গৰ্ব নকৰিবা একো নৰ।
ঘই বোলে - ঘনে হৰি ঘোষিও সত্বৰ।
ঙই বোলে - লৈয়ো সঙ্গ ভকত জনৰ।



চই বোলে - চৰিত্ৰ বৰ্ণায়ো গোবিন্দৰ।
ছই বোলে - ছগুালকো নামে শুদ্ধ কৰে।
জই বোলে - জয়ধ্বনি কৰে যিটো নৰে।
ঝই বোলে - যিটো কৰে নামক যতন।
ঞই বোলে - নিজ পদ দেন্ত নাৰায়াণ।
টই বোলে - টল বল জীৱন চঞ্চল।
ঠই বোলে - ঠোস মোস ভাঙ্গিবে সকল।
ডই বোলে - ডাকিয়া কৰিও হৰিধ্বনি।
ঢই বোলে - ঢলিয়া পৰক সিদ্ধ মুনি।
ণই বোলে - লৈয়ো নাম ধৰ্ম শিৰোমণি।
তই বোলে - তাৰন্তা নাহিকে হৰি বিনি।
থই বোলে - থিৰ বুদ্ধি কৰি লোৱা নৰ।
দই বোলে - দৰ্পচুৰ কৰা পাতেকৰ।
ধই বোলে - ধৰ্ম নাই ৰাম নাম সম।
নই বোলে - নাৰায়ণ নাম নৰোত্তম।
পই বোলে - পৰমতো পৰম মধুৰ।
ফই বোলে - ফুৰে গাই সেহিসে চতুৰ।
বই বোলে - বহু বিধ ভকতি আছয়।
ভই বোলে - ভকত জনেসে আচৰয়।
মই বোলে - মধুৰতো পৰম মধুৰ।
যই বোলে - যিটো গায় সেহিসে চতুৰ।
ৰই বোলে - ৰাম নাম পাপৰ অগনি।
লই বোলে - লোৱা নাম ধৰ্ম শিৰোমণি।
ৱই বোলে - অমৃততো স্বাদ যুক্ত অতি।
শই বোলে - সাধুসৱ শুনা কৰ্ণ পাতি।
ষই বোলে - সনক সনন্দ ঋষি মুনি।
সই বোলে - সি সবেও নতৰে হৰি বিনি।
হই বোলে - হৰি নাম ডাকি লৈয়ো নৰ।
ক্ষই বোলে - ক্ষয়ঙ্কৰ কৰা পাতেকৰ।

(৪র্থ ক্রম)
**বৰগীত ঃ ৰাগ-শ্যাম**

তেজৰে কমলা পতি পৰভাতে নিন্দ।
তেৰি চান্দ মুখ পেখো উঠৰে গোবিন্দ।।
ৰজনী বিদূৰ দিশ ধৱলি বৰণ।
তিমিৰ ফাৰিয়া বাজ ৰবিৰ কিৰণ।।
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰাই।
ব্ৰজ বধু দধি মথে তুৱা গুণ গাই।।
দামে সুদামে ডাকে তেৰি লৈয়া নাম।
হেৰ দেখ উঠিয়া আসিল বলৰাম।।
নন্দ গেল বাথানে গোৱাল গেল পাল।
সুৰভি চাৰিতে লাগে উঠৰে গোপাল।।
ক্ষীৰ লৱণু লৈয়া শিঙ্গা বেত ৰেণু।
সকালে মেলিয়ো বৎস হাম্বাৰাৱে ধেনু।
কহয় মাধৱ মাই কিনো তপসাইলা।
ত্ৰিজগত পতি হৰি ৰাখোৱাল পাইলা।।

(সামূহিক অনুষ্ঠানত বৰগীত শেষ নোহোৱালৈকে বাকী ভকতে মনে মনে নাম জপ কৰি থাকিব)

(৫ম ক্রম) বৰগীত ঃ

(সূৰ্যোদয়ৰ আগত)

**ৰাগ কৌ**

ধ্ৰুং- উঠৰে উঠ বাপু, গোপালহে
নিশি পৰভাত ভৈল।
কমল নয়নণ, বুলি ঘনেঘন
যশোৱা ডাকিবে লৈল।।
পদ - মোৰ প্ৰাণধন, সুচান্দ বয়ন,
গাৱাচালি তেজ নিন্দ।
সৱ পুৰুষৰ, শিৰৰ ভূষণ,
তুমিতো বাপু গোবিন্দ।।



মোৰ পুত্ৰ বুলি, যশোদা গোৱালী
বুকে বান্ধি কোলে লৈল।
বয়নে চুম্বন, কয়ে ঘণ ঘণ
আনন্দে মগন ভৈল।।
সিদ্ধমুণি গনে, চিন্তিয়া নপাৱে
সে হৰি যশোৱা কোলে।
ত্ৰিজগত পতি, ভকতি মিলল
মুৰুখ মাধৱে বোলে।।

**চলনৰ বৰগীত ঃ**
**ৰাগ শ্যাম**

ধ্ৰুং - পৰভাতে শ্যামকানু ধেনু লৈয়া সঙ্গে।
বংশীৰ নিচানে বৃন্দাবনে জলে ৰঙ্গে।।
পদ - জগতৰ গুৰু হৰি কাছি গোপ কাছে।
আভীৰ বালকে বেঢ়ি চলে আগেপাছে।।
শিকাবান্ধি ছান্দি কান্ধে লৈয়া দধি ভাত।
মাথায়ে চান্দনি জৰি সাজে জগন্নাথ।।
বাম কাষ শিঙ্গা বেত নেতকৰু চেলি।
বহুৱসে লাসে বেসে চলে কৰি কেলি।।
অসংখ্য সহস্ৰ শিশু বেধনু বৎস গণ।
শিঙ্গা শঙ্খ বেনু বায়ে পুৰয় গগন।।
নানান খেলান খেলে বহুভাৱে গাৱে।
নানান বিনোদে ৰসে ভুৱন ভুলাৱে।।
বৈকুণ্ঠৰ পতি হৰি বনে চাৰে ধেনু।
কহয় মাধৱ গতি কানু পদে ৰেণু।।

(৬ষ্ঠ ক্ৰম) কৃষ্ণ ডাকিব ঃ

কৃষ্ণ! কৃষ্ণ! কৃষ্ণ!
কৃষ্ণ ৰাম! কৃষ্ণ ৰাম! কৃষ্ণ ৰাম!
কৃষ্ণ কৃষ্ণ ৰাম ৰাম
জয় জয় ৰাম ৰাম, জয় জয় ৰাম ৰাম।
কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ ৰাম। (৪ বাৰ)

(৭ম ক্ৰম) নাম ছন্দ ঃ

গোবিন্দ, গোবিন্দ, গোবিন্দ, গোবিন্দ
গোবিন্দ ৰাম মুৰাৰী
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।।
(২ বাৰ গোৱাৰ পিছত তাল বজাব)
গোবিন্দ ৰাম মুৰাৰী, মুকুণ্ড ৰাম মুৰাৰী।
ভকতি ৰোচন দুখ বিমোচন ভকতৰ ভয়হাৰী।।
পৰম পুৰুষ পৰম আনন্দ পৰম গুৰু মুৰাৰী।
অনাদি অনন্ত অচ্যুত গোবিন্দ ভকতৰ ভয়হাৰী।।
জয় যাদৱ এ মোৰ প্ৰাণ
জীৱৰ জীৱন নাৰায়ণ।
ভকতৰ ধন তযু অৰুণ চৰণ জয়
যাদৱ এ।
বা
গোপাল গোবিন্দ ৰাম মাধৱ।
ভকত জনৰ তুমি বান্ধৱ।।
গোপাল গোবিন্দ গড়ুৰকেতু।
ভকত জনৰ জীৱন হেতু।।
ৰাম নিৰঞ্জন নিৰাময়।
জয় জগন্নাথ দয়াময়।।
গোবিন্দ গোবিন্দ গোবিন্দ ৰাম।
পতিত পাৱন তোমাৰ নাম।।



(৮ম ক্ৰম) কীৰ্তন ঃ

ঘোষা - জয় হৰি গোবিন্দ
নাৰায়ণ ৰাম কেশৱ,
হৰি ৰাম ৰাম কেশৱ হৰি।

পদ - প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।
মৎস্য ৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত।।
সত্যব্ৰত ৰাজাক দেখাইলা নিজ মায়া।
নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া।।
কুৰ্ম অৱতাৰ ভৈলা ক্ষীৰোদধি তীৰে।
লক্ষ্য প্ৰহৰৰ পন্থ জুৰিলা শৰীৰে।।
কৰিলেক পৰিস্তুতি সুৰাসুৰ নাগে।
ধৰিলা মন্দৰগিৰি প্ৰভু পৃষ্ঠভাগে।।
দিব্য যজ্ঞ বৰাহ স্বৰূপে ভৈলা তুমি।
লীলায়ে দন্তৰ অগ্ৰে উদ্ধাৰিলা ভূমি।।
তোমাক কৰিলা যুদ্ধ হিৰণ্যাক্ষ বীৰি।
অপ্ৰয়াসে দৈত্যক বধিলা দন্তে ছিড়ি।।
আদি দৈত্য হিৰণ্যকশিপু বলিয়াৰ।
নৰসিংহ ৰূপে হিয়া বিদাৰিলা তাৰ।।
কৰিলা নিৰ্ভয় পাইলা ত্ৰিদশে উল্লাস।
ভক্ত প্ৰহ্লাদক প্ৰভু কৰিলা আশ্বাস।।
বামণ স্বৰূপে অদিতিৰ বাক্য পালি।
ইন্দ্ৰক থাপিলা ছলে বলিক নিকালি।।
ত্ৰৈলোকক আক্ৰমিলা চৰণৰ গতি।
তযু পাদোদকে গঙ্গা ভৈলা উতপতি।।

**২য় কীৰ্তন ঃ**

ঘোষা - কৃষ্ণ সূৰ্য ভৈলন্ত উদিত।
নাম ধৰ্ম কৰিলা বিদিত।।

পদ - সত্যযুগে প্ৰথমত ব্ৰহ্মাআদি দেৱ যত
হৰি নাম কৰিলা গুপুত।
কিনো দয়াময় হৰি নামক বেকত কৰি
কলি পাপ কৰাইলা লুপুত।।
যিতো মহা ম্লেছ জাতি সিয়া শুদ্ধ হোৱে আতি
মুখে মাত্ৰ হৰিনাম লয়।
কলিৰ ভয়ত গৈয়া নামত শৰণ লৈয়া
ৰহিলা সমস্ত ধৰ্মছয়।।
ইটো কলি কাল ঘোৰ পাপৰ নাহিকে ওৰ
আতহিলে চিন্তিলা প্ৰজাৰ।
জগতৰে পাপহৰে স্মৰণে নিস্তাৰ কৰে
হেন নাম কৰিলা প্ৰচাৰ।।
দোষৰ সাগৰ কলি আতহৰি নাম ললি
ধৰ্ম অৰ্থ পাৱে মোক্ষ কাম।
সমস্তকে দয়াতৰে আৱে দেৱ দামোদৰ
বিদিত কৰিলা হৰিনাম।।
তন্ত্ৰ, মন্ত্ৰ, যজ্ঞ যত তপ তীৰ্থ কোটি শত
হৰি নাম অধিক সবাতে।
কিনো ভাগ্য কিনো ভাগ্য হেন হৰি নাম লাগ
পাইলা লোক মুকুতি সাক্ষাতে।।
যিতো নাম নেৰে মুখে পাইলা মোক্ষ মহাসুখে
জানা কৃষ্ণ তুষ্ট ভৈল তাৰ।
গুৰু ভৈলা জগতৰে কৰিলেক সিটো নৰে
কোটি কোটি পুৰুষ উদ্ধাৰ।।
পাতক শুকান বৰ হৰি নাম হুতাশন
ক্ষন্তেকতে দহি কৰে ছাৰ।



হেন নাম প্ৰচাৰিলা পাতকীত নিস্তাৰিলা
পৰম কৃপালু নাৰায়ণ।।
দেৱৰো দেৱতা হৰি তান্তে মহাযত্ন কৰি
লৈয়ো এক শৰণ সাক্ষাত।
যাৰ ইচ্ছা মোক্ষ পাইবে নালাগে দূৰক যাইবে
আছে হৰি সবাৰো হিয়াত।।
কৃষ্ণৰ কিঙ্কৰে কহে হৰি নামে পাপ দহে
ৰাম নাম সবাতো অধিক।
যিটোজনে নাম স্মৰে সকল পাতক তৰে
অনায়াসে পাৱে মুকুতিক।।
জগত নিস্তাৰ হেতু কৰিলা গৰুড় কেতু
ইবাৰ বিদিত হৰি নাম।
আয়ু যায় আলেজালে কেতিক্ষণে ধৰে কালে
নিৰন্তৰে বোলা ৰাম ৰাম।।

**(৯ম ক্ৰম) সামৰণি হৰিনাম ঃ-**

ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম (চাৰি বাৰ)
হৰি ৰাম ৰাম ৰাম (চাৰি বাৰ)
ৰাম ৰাম ৰাম ও হৰি (চাৰি বাৰ)
ও হৰি ৰাম ৰাম (চাৰি বাৰ)
কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম (চাৰি বাৰ)
ৰাম ৰাম ৰাম ৰাম (চাৰি বাৰ)
ওঁ ৰাম! ওঁ ৰাম!! ওঁ ৰাম!!! ওঁ ৰাম!!!!

**(১০ম ক্ৰম) জয় ঘোষণা ঃ-**

১। জয় ৰাম - সমূহে জয় ৰাম।
২। জয় নাৰায়ণ - সমূহে জয় নাৰায়ণ।
৩। জয় কৃষ্ণ - সমূহে জয় কৃষ্ণ।
৪। জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ - সমূহে জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ।

**বিঃদ্ৰঃ** - সামূহিক প্ৰসঙ্গ নহ'লে এজনীয়া প্ৰসঙ্গত জয় ঘোষণাখিনি ক'ব নালাগে। সামূহিক অংশৰ জয় ঘোষণা দিলেই হ'ব।

(১১শ ক্ৰম) পাঠ ঃ-

**উপদেশ (১)**

হেনজানি বুদ্দজন এৰি আনমতি।
একচিত মনে কৰা কৃষ্ণত ভকতি।।
তেবে নিস্তাৰিবা ঘোৰ সংসাৰ সাগৰে।
কলি যুগে ধৰ্ম নাই আউৰ আতপৰে।।
কলিৰ ভয়ত ত্ৰাস হৈয়া ধৰ্ম যত।
একস্থান হৈয়া ৰৈলা হৰিৰ নামত।।
জানি একচিতে ফুৰা হৰি গুণ গাই।
সকল ধৰ্মক লাগ পাইবা এক ঠাই।।
এহিমানে সমস্ত বেদৰ তত্ব সাৰ।
সমস্ত দেৱৰ ৰাজা কৃষ্ণেসে ঈশ্বৰ।।
সমস্ত ধৰ্মৰ ৰাজা মাধৱৰ নাম।
জানি নৰে নিৰন্তৰে বোলা ৰাম ৰাম।।

**বা (২)**

শুনা সভাসদ ইটো মহাভাগৱত কথা।
কৃষ্ণক নভজি জন্ম নকৰিয়ো বৃথা।।
ঈশ্বৰো ঈশ্বৰ পৰম দেৱ হৰি।
পাতকীয়ো তাৰ যাৰ নাম মাত্ৰ স্মৰি।।
হৈয়া একশৰণ কৃষ্ণক যিটো ভজে।
সিজনে জানা আৰ যাতনাত নমজে।।
অপ্ৰয়াসে পাৱে সিতো হাততে মুকুতি।
গীতা ভাগৱতৰ ইটো শাস্ত্ৰৰ সন্মতি।।
নকৰা বিলম্ব ধৰিলেক পৰ কালে।
ইটো চিন্তামণি জন্ম নেনা আলেজালে।।
মৰিবাকো আছে যাৰ তাৰ আছে জন্ম।
সতত গলত বান্ধা মাধৱৰ নাম।।
কৃষ্ণ কথা শুনা হৌক মন উপশান্ত।
কৃষ্ণৰ চৰণে চিত্ত দিয়ো একান্ত।।



কৃষ্ণৰ কিঙ্কৰে কহে এৰা আন কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম।।

পাঠৰ হৰিধ্বনি - অ' হৰি, অ' ৰাম

**(১২শ ক্ৰম) ঃ** গুৰু বন্দনা।

**(১৩শ ক্ৰম) ঃ** সেৱা।

**(১৪শ ক্ৰম) ঃ** নামাচাৰ্যৰ আসন ত্যাগ আৰু অপৰাধ ভঞ্জন ঘোষণা ভকত ভগৱন্তলৈ।

●●●

## (খ) দুপৰীয়াৰ প্ৰসঙ্গ অধ্যায় ঃ

**(১ম ক্ৰম) কৃষ্ণ শঙ্কৰ গুৰু হৰি ৰাম ৰাম ৰাগ ডাকিব।**

**(২য় ক্ৰম) বৰগীত ঃ**

**(১) ৰাগশ্ৰী-**

**ধ্ৰুং-** **জয়তি পৰমানন্দ এ নন্দ কুমাৰ।**
**নিগম নিগূঢ় হৰি ভয়ো অৱতাৰ।।**

**পদ-** তেজিয়া বৈকুণ্ঠ পুৰি এ চিদ্ বিলাস।
কি লাগি কমলাপতি ব্ৰজে কৈলা বাস।।
শঙ্খ চক্ৰ গদা পদ্ম তেজি অস্ত্ৰ চাৰি।
কিলাগি হইলা শিক্ষা বেত বেনু ধাৰী।।
কোটি কোটি ব্ৰহ্মাণ্ডৰ তেজিয়া বিভূতি।
কি লাগি হৈলা প্ৰভু গোপৰ মুৰুতি।।
যাৰ আজ্ঞা বাণী ব্ৰহ্মা হৰে শিৰে ধৰে।
সেহি আজ্ঞা পালা কেনে গোৱালীৰ ঘৰে।।

যাৰ পদ ৰেণু শিৰে ধৰে দিগপাল।
সেহি প্ৰভু ভৈলা কেনে ব্ৰজে ৰাখোৱাল।।
কহয় মাধৱ দাস দীন মতি হীনা।
সহজে দয়ালু হৰি ভকতি অধিনা।।

বা

(২) ৰাগ - ললিত

ধ্ৰুং - গোপাল খেলে বালেক সঙ্গে।
মোহন বেনু পুৰে মন ৰঙ্গে।।
পদ - শ্যাম শৰীৰ শোভে পীতবাস।
ভূৱন ভুলি কতো পৰকাশ।।
ঠমকে চলৱে দুহো অৰুণ পাৱ।
ৰুণঝুণ কৈয়ো নুপুৰ বাৱ।।
হৃদয়ে হাৰ লুলে গজমতি।
পেখি মোহ ভয়ো ব্ৰজ যুৱতী।।
মাধৱ দাস কহ শুনহ মুৰাৰী।
ভকতি দান দেহ কৰোহো গোহাৰি।।

(৩য় ক্ৰম) -

কৃষ্ণ কৃষ্ণ কৃষ্ণ
কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম
কৃষ্ণ কৃষ্ণ ৰাম ৰাম
জয় জয় ৰাম ৰাম, জয় জয় ৰাম ৰাম
জয় জয় ৰাম ৰাম
কৃষ্ণহৰি ৰামহৰি ৰাম ৰাম ৰাম
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ

(৪ বাৰ)



(৪ৰ্থ ক্ৰম) -

(১)
মাধৱ, মাধৱ, মাধৱ মধুৰিপু মুৰাৰী।
গোবিন্দ কৃষ্ণ হৰি হৰি ৰাম।।
নাৰায়ণ নিৰঞ্জন নিৰাকাৰ নিৰাময়।
মুৰাৰী এ হৰি হৰি ৰাম।।
মোৰ প্ৰাণ গোপাল দীনবন্ধু নাৰায়ণ।
হে পৰম গুৰু পুৰুষোত্তম হৰি পুৰুষোত্তম।
পুৰুষোত্তম, পুৰুষোত্তম জয় পুৰুষোত্তম।।

(২) বা

ৰামকৃষ্ণ ৰামকৃষ্ণ ৰাম হৰি হৰি।
ৰামতে ৰমোহো অবি ৰাম ৰাম।।
ৰাম নাম ধৰ্ম অনুপম হৰি হৰি।
পুৰে ভকতৰ মন কাম ৰাম ৰাম।।
কলিযুগে ৰাম নামে সাৰ হৰি হৰি।
ৰাম নাম বিনে নাহি আৰ ৰাম ৰাম।।
ৰাম বুলি পাৰে ভৱ পাৰ হৰি হৰি।
ৰাম নাম জগত উদ্ধাৰ ৰাম ৰাম।।

(৫ম ক্ৰম) কীৰ্তন ঃ-

ঘোষা - গোপাল কৰুণাময় ৰাম ৰাম হৰি।
পদ - কৃষ্ণ ৰূপে দৈৱকীত ভৈলা অৱতাৰ।
শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ।।
পীত বস্ত্ৰে শোভে আতি শ্যাম কলেৱৰ।
কমল লোচন চাৰু অৰুণ অধৰ।।
সুন্দৰ নাসিকা কৰ্ণে মকৰ কুণ্ডল।
কণ্ঠত কৌস্তুভ শিৰে কিৰীটি উজ্জ্বল।।

আপাদ লম্বিত বনমালা জ্বলে গলে।
শোভে অতি শ্রীবৎস বহল বক্ষস্থলে।।
চাৰু চাৰি ভুজে জ্বলে আজানু লম্বিত।
কৰিকৰ সম উৰু বৰ্তুল বলিত।।
চৰণ কমল যেন নৱ পদ্ম কোষ।
যাক দেখি ভকতৰ পৰম সন্তোষ।।
প্ৰসন্ন বদন জ্বলে অলকা তিলক।
বসুদেৱ দেখিলন্ত অদ্ভুত বালক।।
পৰি দুয়ো প্ৰাণী পাছে কৰিলন্ত স্তুতি।
পিতৃত কহিলা প্ৰভু সমস্ত যুগুতি।।
ভৈলা শিশু ৰূপ তৈত প্ৰভু নাৰায়ণ।
কোলে লৈয়া বসুদেৱ লড়িলা তেখন।।
ভাগিল নিহল ভৈলা মেলান কপাট।
দেখি ভয়ে যমুনা আপুনি দিলা বাট।।
বৰিষে কণিকা মেঘে ওপৰত গাজে।
ফনায়ে ধৰিলা ছত্ৰ আসি সৰ্পৰাজে।।
যশোদাৰ তৈত উপজিলা যোগমায়া।
অতি অচেতন নিদ্ৰা গৈলা নন্দজায়া।।
তাহানে শয্যাত নিয়া থৈলন্ত তোমাক।
বসুদেৱ আনিলন্ত নন্দৰ কন্যাক।।
শিশুভাৱে গোকুলত ক্ৰীড়িলা অপাৰ।
সাধিলা অনেক প্ৰীতি নন্দ যশোদাৰ।।
অচিন্ত মহিলা হৰি পুৰুষ পুৰাণ।
লীলা কৰি অনেক দৈত্যৰ লৈলা প্ৰাণ।।
কংসৰ পাঞ্চনি পায় যত দৈত্য আসে।
তুমি অগনিত যেন পুৰি মৰে জাসে।।
আসিলেক পুতনা মোহিনী নাৰী বেশে।
স্তন দিয়া শিশু মাৰি ফুৰে দেশে দেশে।।



কোলে ধৰি তোমাক দিলেক স্তন দান।
স্তন পানে পুতনাৰ শুষিলাহা প্ৰাণ।।
শকটৰ তৈলে থৈলা যশোদা শুৱাই।
লাথি হানি পেলাইলা শকট ওভতাই।।
হেন দেখি যশোদা সুন্দৰী মহাদুখে।
আথে বেথে কোলে লৈয়া স্তন দিয়া মুখে।।
কৃষ্ণৰ কিঙ্কৰ কহে শঙ্কৰে যুগুতি।
ৰাম নাম বিনে নাহি কাহাৰো মুকুতি।।
হেন জানি নিৰন্তৰে এৰি আন কাম।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম।।

● উপলক্ষ্য অনুযায়ী কীৰ্তন দিব। শেষত ওপৰিঞ্চি কীৰ্তন দিয়া আছে।

**(৬ষ্ঠ ক্ৰম) সামৰণি :-**

ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম
হৰি ৰাম ৰাম ৰাম (চাৰি বাৰ)
ৰাম ৰাম ৰাম ও হৰি (চাৰি বাৰ)
ও হৰি ৰাম ৰাম (চাৰি বাৰ)
কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম (চাৰি বাৰ)
ৰাম ৰাম ৰাম ৰাম (চাৰি বাৰ)
ওঁ ৰাম, ওঁ ৰাম, ওঁ ৰাম, ওঁ ৰাম।

**(৭ম ক্ৰম) জয় ঘোষণা :-**

১। জয় ৰাম - সমূহে জয় ৰাম।
২। জয় নাৰায়ণ - সমূহে জয় নাৰায়ণ।
৩। জয় কৃষ্ণ - সমূহে জয় কৃষ্ণ।
৪। জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ - সমূহে জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ।

(৮ম ক্ৰম) পাঠ ঃ-

উপদেশ -

শুনা সভাসদ পদ হুয়া একমন।
হৰি গুণ নাম কৰা শ্ৰৱণ কীৰ্তন।।
কৃষ্ণ গুণ বিনে নাহি আনন্দিত স্থান।
পৰম মধুৰ ৰূপ জানি কৰা পান।।
সাধুৰ সঙ্গত যিজনে শুনয়।
কৃতাৰ্থ হোৱয় আতি নাহিকে সংশয়।।
নমো নমো কৃষ্ণ মোৰ পুৰা মনস্কাম।
কৰ্ণে মুখে বিচ্ছেদ নহৌক তযু নাম।।
ৰাতুল চৰণ দুই হৃদয়ে ৰহোক।
জনমে জনমে সাধু সঙ্গ মোৰ হোক।।
এহি কৃপা মোক কৃষ্ণ বাপ কৰিয়োক।
ৰাম ৰাম বোলা সৱে দুৰ্গতি গুচোক।।

পাঠৰ হৰিধ্বনি - ও হৰি, ও ৰাম।

(৯ম ক্ৰম) গুৰু বন্দনা ঃ-

(১০ম ক্ৰম) সেৱা ঃ সেৱকীৰ।

(১১শ ক্ৰম) ঃ নামাচাৰ্যৰ আসন ত্যাগ আৰু অপৰাধ ভঞ্জন ঘোষণা।

●●●●●



(গ) বিয়লি প্ৰসঙ্গ অধ্যায় -

(১ম ক্ৰম) কৃষ্ণ শঙ্কৰ গুৰু হৰি ৰাম ৰাম ৰাগ ডাকিব।

(২য় ক্ৰম) বৰগীত -

ৰাগশ্ৰী বসন্ত-

ধ্ৰুং - হৰি হৰিৰে বাপ পশিলো শৰণ।
নেৰিবা বান্ধৱ মোক জীৱন মৰণ।।

পদ - সনক সনন্দ যোগী যাহাক ধিয়াই।
সকল নিগমে যাক বিচাৰি নাপায়।।
সহস্ৰ বয়নে যাৰ নাপাৱন্ত সীমা।
অধমে জানিবো কেনে তোমাৰ মহিমা।।
আতুৰ ভৈলোহে হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।।
তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনৰ নিজ তুমিসে জীৱন।।
কৃপাৰ সাগৰ কৃপা কৰা একবাৰ।
কাতৰ কৰিয়া লৈলো শৰণ তোমাৰ।।
কৃপা কৰা নাৰায়ণ ছোড় মোহ পাশ।
কহয় মাধৱ হৰি দাসুক দাস।।

(৩য় ক্ৰম) -

কৃষ্ণ! কৃষ্ণ!! কৃষ্ণ!!!
কৃষ্ণৰাম! কৃষ্ণৰাম!! কৃষ্ণৰাম!!!
কৃষ্ণ কৃষ্ণ ৰাম ৰাম
জয় জয় ৰাম ৰাম, জয় জয় ৰাম ৰাম
জয় জয় ৰাম ৰাম
কৃষ্ণহৰি, ৰামহৰি ৰাম ৰাম ৰাম
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ।

(৪ বাৰ)

**(৪ৰ্থ ক্ৰম) ঘোষাৰ, ঘোষা ছন্দ -**

দীনবন্ধু ৰাম দয়াশীল দেৱ।
তুৱা পদ কমলে সদায় কৰো সেৱ।।
মোৰ প্ৰভু ৰাম কৰুণা সাগৰ।
আমি দুখিতক নছাৰিবা দামোদৰ।।
মধুৰিপু ৰাম কমল লোচন।
তুৱা গুণ নামে ভৱ ভয় বিমোচন।।
বন্দো মাধৱ মধুৰিপু ৰাম।
তুৱা পদ কমল যুগল হৰি এ।।

**(৫ম ক্ৰম) কীৰ্তন -**

**ঘোষা -** **ত্ৰাহি দেৱ দামোদৰ যাদৱানন্দ**
**দীন দয়াশীল স্বামী।**
**কৰাহা নিস্তাৰ তোমাৰ চৰণ**
**শৰণ পশিলো আমি।।**

**পদ -** কৃষ্ণৰ বিক্ৰম দেখি ঋক্ষৰাজ
পৰম বিস্ময় মনে।
স্বামী হেন যানি বুলিবে লাগিলা
প্ৰণামি কৃষ্ণৰ চৰণে।।
জানিলো তোমাক জগত ঈশ্বৰ
তুমি সনাতন হৰি।
সমস্ত ভূতৰ তুমি প্ৰাণবল
জগতকে আছা ধৰি।।
স্ৰষ্টাৰো স্ৰষ্টা তুমি সৰ্বদ্ৰষ্টা
উদ্ধাৰি ধৰিলা ভূমি।
জীৱৰ নিয়ন্তা পৰম আতমা
মৃত্যুৰো অন্তক তুমি।।



জানিলো তোমাক সেহি ৰঘুনাথ
যিটো ইষ্ট দেৱ মোৰ।
সীতাৰ সন্তাপে জগতৰ বাপে
কৰিলা পয়ান ঘোৰ।।
যাৰ মহাক্ৰোধে কটাক্ষতে গ্ৰাহে
সাগৰ কল্লোল কৰে।
লঙ্কাক লাগিয়া মাজে বাট দিলা
ডৰিয়া আতি সাগৰে।।
জানকীৰ হেতু বান্ধিলাহা সেতু
দহিলা লঙ্কা নগৰী।
ৰাৱনৰ মাথ কাটিলাহা নাথ
আনিলা সীতা উদ্ধাৰি।।
আগে নিচিনিলো এবেসে জানিলো
তেন্তে তুমি শ্ৰীৰাম।
অজ্ঞানীক মোক প্ৰভু ক্ষমিয়োক
চৰণে কৰো প্ৰণাম।।
এতেকে বুলিয়া নমি জাম্বৱন্তে
আছে কৃতাঞ্জলি কৰি।
শুনা সৰ্বজন নেৰিবা কীৰ্তন
ডাকি বোলা হৰি হৰি।।

**(৬ষ্ঠ ক্ৰম) সামৰণি ঃ-**

ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম
হৰি ৰাম ৰাম ৰাম (চাৰি বাৰ)
ৰাম ৰাম ৰাম ও হৰি (চাৰি বাৰ)
ও হৰি ৰাম ৰাম (চাৰি বাৰ)
কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম (চাৰি বাৰ)
ৰাম ৰাম ৰাম ৰাম (চাৰি বাৰ)
ওঁ ৰাম, ওঁ ৰাম, ওঁ ৰাম, ওঁ ৰাম।

(৭ম ক্রম) জয় ঘোষণা ঃ-

১। জয় ৰাম - সমূহে জয় ৰাম।
২। জয় নাৰায়ণ - সমূহে জয় নাৰায়ণ।
৩। জয় কৃষ্ণ - সমূহে জয় কৃষ্ণ।
৪। জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ - সমূহে জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ।

(৮ম ক্রম) পাঠ ঃ-

**উপদেশ -**

হেনজানি লোৱা নৰ হৰিত শৰণ।
দুৰ্ঘোৰ সংসাৰ ইটো হৰিসে তাৰণ।।
ধন জন পুত্ৰ ভাৰ্যা কন্দলৰ ঘৰ।
তাৰ আশা তেজি ভজা দেৱ দামোদৰ।।
কৃষ্ণ সখা ভৈলে কাল ওচৰ নাচাপে।
আন বিঘ্নি সব মানে তৰতৰি কাম্পে।।
হেন জানি লোৱা মাত্ৰ মাধৱৰ নাম।
সুখে ভৱ তৰিতে যাহাৰ আছে কাম।।
নমো নমো নাৰায়ণ হৰিয়ো কুমতি।
জন্মে জন্মে হৌক তযু চৰণে ভকতি।।
কৃষ্ণৰ কিঙ্কৰে ভনে শুনা নৰ নাৰী।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি।।

পাঠৰ হৰিধ্বনি - ও হৰি, ও ৰাম।

(৯ম ক্রম) গুৰু বন্দনা ঃ-

(১০ম ক্রম) সেৱা সেৱকীৰ।

(১১শ ক্রম) ঃ নামাচাৰ্যৰ আসন ত্যাগ আৰু অপৰাধ ভঞ্জন ঘোষণা।

●●●●●



## (গ) সন্ধ্যা প্ৰসঙ্গ অধ্যায়-

(১ম ক্রম) **গুৰু ভটিমা**

জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।।
দৰশিত সুন্দৰ গৌৰ কলেৱৰ
যৈচন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জণ যাকেৰি
দৰশনে পাপ বিনাশ।।
বিনে অঙ্গ ভূষণ পেখি সু-শোভন
গহন গম্ভীৰ ধীৰ মতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দ কোহো জ্যোতি।।
লীলা জগপতি গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দন কলিকো কালে
যাকু সম নাহি ধীৰ।।
সোহি নাৰায়ণ মায়া বিস্তাৰি
কৰু ত্ৰিজগত নিৰমান।
সনক সনাতন যোগী যাকেৰি
মহিমা কবহু নজান।।
সকল চৰাচৰ পালন কাৰী
যো হৰি দেৱকো দেৱা।
চতুৰ বয়ন শিৱ সুৰপতি যাকেৰি
চৰণেহে কৰো নিত্য সেৱা।।

চাৰিবেদ শিৰোমণি মাজে
যাকেৰি চৰণ বিকাশ।
সোহি দেৱক কয়লি কলিকো
শঙ্কৰ দেৱ পৰকাশ।।
ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।
মায়া নৰতনু ধৰি হৰি ভকতি
কয়লি বহু পৰচাৰ।
সব নৰ পাপ পয়োধি মজ্জল
তাহে কয়লি উদ্ধাৰ।।
অৱনিশি চাৰি বেদ বিচাৰি
বেকত কৰু হৰিনাম।
যাকেৰি বয়নে মিলাই গাই
পাই মনোৰথ কাম।।
পণ্ডিত মানি বেদ বখানি
গৰৱ কয়লি সব চুৰ।
গীত কবিত্ব গুণ শঙ্কৰ দেৱৰ
কীৰিতি গয়ো বহু দূৰ।।
শ্ৰীযশ দান মান ভূত দায়া
সব গুণ সম্পন্ন ঠিক।
ভকতক ভকতি দানে কৰু গুৰু
দায়া তনয় অধিক।।
হৰি কহু মুৰুতি সুৰুতি মন মগন
মজ্জল আনন্দ সিন্ধু।
ঐচন নিৰমল হৃদয় বিকশিত
ভকত কুমুদ কুল ইন্দু।।



নিজ কুল তাৰি ভকতি বিস্তাৰি
বান্ধল হৰি গুণ সেতু।
কলি যুগে পাপ পয়োধি সব নৰ
তাৰণ কাৰণ হেতু।।
ভকতি ভাণ্ডাৰ দ্বাৰ সব ছোড়ি
মুকুতি কয়লি উদাস।
একশৰণ হৰি নাম ধৰমকহু
ৰাজা কৰু পৰকাশ।।
কি কহব শঙ্কৰ দেৱৰ মহিমা
জানি জ্ঞানী অন্ত নাপায়।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখ সুখে পাই।।
মাধৱ দীন মুৰুখ মতি কহয়
বাণী শুন সব লোই।
বিনে গুৰুৰ চৰণ ভকতি ৰকতি
মুকুতি কবহু নহোই।।
ওহি পৰম তত্ত্ব বেদকো বাণী
জানি নৰ নকৰা বিৰাম।
ধৰমক কৰমক গৰৱক ছোড়ি
ডাকি বোলহু ৰাম ৰাম।।

**(২য় ক্ৰম)**

**।। দেৱ ভটিমা।।**

পৰম পুৰুষ পুৰাতন পাপী
পাৱন ঈশ্বৰ দেৱ।
ব্ৰহ্মা ৰুদ্ৰ আদি সব দিগপাল
যাকু কৰত নিতে সেৱ।।

যক্ষ ৰক্ষ বিপক্ষ লক্ষ
লক্ষ ক্ষয়ঙ্কাৰী।
দুষ্ট দৈত্য দানৱ দলন
দাৰিদ্ৰ দুখহাৰী।।
অঘ বক কুবলয় ধেনুক কেশী
কংস নাশী বনমালী।
গোপী পীন পয়োধৰ ঘৰিষণ
চঞ্চল কৰ যুগশালী।।
আনন্দ সিন্ধু সাধুজন বন্ধু
মধুৰ মুমুতি মূৰ নাশী।
বিৰিন্দা বিপিন বিহাৰ বিশাৰদ
শাৰদ ইন্দু পৰকাশী।।
কোটি মদন মন মোহন ৰূপী
পৰশনে পৰমানন্দ।
সিদ্ধ মুনি বৃন্দ সাদৰে বন্দিত
যাকেৰি এপদ দ্বন্দ।।
পালয় প্ৰলয় সৃজন জগতক
যাকেৰি পৰম বিহাৰ।
যাকু নাম ধৰি অধম পাতকী
পাৱত ভৱনদী পাৰ।।
সোহি গোপালক কেলি নাটক
ওহি মুকুতি নিদান।
ভো-ভো সভাসদ সাধুজন সব
শুন মন কয়ে সাৱধান।।
কলিকো পাপহৰ নাহি আতপৰ
জানি তেজহু আন কাম।
কহে কৃষ্ণ কিঙ্কৰ আপোন উদ্ধাৰ
ডাকি বোলহু ৰাম ৰাম।।

●●●



(৩য় ক্ৰম) ।। গুণমালা।।

| | | |
|---|---|---|
| ঘোষা - | ৰাম নিৰঞ্জন। | পাতক ভঞ্জন।। |
| পদ - | নমো নাৰায়ণ। | সংসাৰ কাৰণ।। |
| | ভকত তাৰণ। | তোমাৰ চৰণ।। |
| | তুমি নিৰঞ্জন। | পাতক ভঞ্জন।। |
| | দানৱ গঞ্জন। | গোপীকা ৰঞ্জন।। |
| | বেদান্ত গায়ক। | বংশীবায়ক।। |
| | জগত নায়ক। | মুকুতি দায়ক।। |
| | ভকতৰ হৃদি। | কৰা সৰ্ব সিদ্ধি।। |
| | বিধাতাৰ বিধি। | দীন দয়া নিধি।। |
| | ভকতি ৰোচন। | দুঃখ বিমোচন।। |
| | পাতক মোচন। | কমল লোচন।। |
| | দৈত্য অন্তকাৰী। | গোবৰ্ধন ধাৰী।। |
| | ভৱ ভয়হাৰী। | তুমিসে মুৰাৰি।। |
| | কালিকো দমিলা। | পুতনা শোষিলা।। |
| | দেৱকো তুষিলা। | ব্ৰজকো ভূষিলা।। |
| | কেশী, বৎস, বক। | সমস্তে দৈত্যক।। |
| | লগায়া চমক। | ডকাইলা যমক।। |
| | তুমি বাৰম্বাৰ। | হুয়া অৱতাৰ।। |
| | পৃথিৱীৰ ভাৰ। | খণ্ডিলা অপাৰ।। |
| | ইন্দ্ৰক দমিলা। | ব্ৰহ্মায়ো নমিলা।। |
| | বনত ভ্ৰমিলা। | গোপীক ক্ৰীড়িলা।। |
| | পশি ৰঙ্গশাল। | যত মহামাল।। |
| | কৰিয়া আস্ফাল। | বধিলা গোপাল।। |
| | তযু গুণ নাম। | ধৰ্ম অনুপাম।। |
| | মোক্ষ অৰ্থ কাম। | সাধা প্ৰভু ৰাম।। |
| | মাৰি দশগ্ৰীৱ। | জনকৰ জীৱ।। |
| | পাইলা সদাশিৱ। | তুমি জগজীৱ।। |

তোমাৰ চৰিত্ৰ। পাতকীৰ মিত্ৰ।।
পৰম পবিত্ৰ। কৰিলা বিচিত্ৰ।।
পতিত পাৱন। এ ভৱ ভাৱন।।
অসুৰ ধাৱন। তুমিসি বামন।।
অগতিৰ গতি। ত্ৰিজগত পতি।।
তোমাত ভকতি। থাকোক সম্প্ৰতি।।
শ্যামল শৰীৰ। জলদ ৰুচিৰ।।
গহন গম্ভীৰ। গুণৰ মন্দিৰ।।
কুন্দলে মণ্ডিত। অসুৰ দণ্ডিত।।
পাতক খণ্ডিত। তুমিসি পণ্ডিত।।
দাৰিদ্ৰ মৰ্দন। কৰুণা সদন।।
বংশী বদন। মুকুতি মদন।।
হাস্য দৰিশন। পাপ কৰি ছন্ন।।
দোষ মৰিষণ। কাম বৰিষণ।।
জগত আধাৰ। দৈৱকী কুমাৰ।।
সংসাৰত সাৰ। চৰণ তোমাৰ।।
তুমি ভগৱন্ত। মহিলা অনন্ত।।
তাৰিলাহা সন্ত। পুৰুষ মহন্ত।।
তুমি সুবৎসল। পুৰুষ নিশ্চল।।
নাহি কিছু চল। ভকত বৎসল।।
তুমি অৱতৰি। অসুৰ সংহৰি।।
সৃষ্টি আছা ধৰি। দেৱ শ্ৰীহৰি।।
অঘাসুৰ ঘালি। মহা বলশালী।।
দমিলাহা কালি। তুমি বনমালী।।
কৰি পাৰভৱ। খেদাইলা দানৱ।।
ভকত বান্ধৱ। তুমিসি মাধৱ।।
কৰি অবিচ্ছেদ। দৈত্য কৰি ভেদ।।
খণ্ডিলাহা খেদ। উদ্ধাৰিলা বেদ।।
জগতক বশ্য। কৰিলা অৱশ্য।।



ভৈলা মহামৎস্য। ব্ৰহ্মাৰো নমস্য।।
তুমি মহাহংস। আসি নিজ অংশ।।
হুয়া যদুবংশ। বধিলাহা কংস।।
জগত নিশেষ। সবাতো প্ৰবেশ।।
ভৈলা হৃষীকেশ। নজানি উদ্দেশ।।
তুমি পীতাম্বৰ। কৰি আড়ম্বৰ।।
বধিলা সম্বৰ। প্ৰভু বিশ্বম্ভৰ।।
তুমিসি অচ্যুত। আনন্দে আপ্লুত।।
ভকত বহুত। কৰিলা মুকুত।।
ধৰি মৎস্যকায়। সত্যব্ৰত ৰায়।।
প্ৰলয় অপায়। তাৰিলা লীলায়।।
কুৰ্ম কলেৱৰ। ধৰিলা মন্দৰ।।
মথিলা সাগৰ। নভৈলা ভাগৰ।।
বৰাহ শৰীৰি। পৃথিৱী উদ্ধাৰি।।
হিৰণ্যক্ষ বীৰি। মাৰিলাহা ছিৰি।।
নৰসিংহ ৰিপু। ভৈল্য দিব্যবসু।।
বধিলাহা ৰিপু। হিৰণ্য কশিপু।।
ভৈলা অদিতিত। বামন উদিত।।
মুকতি ললিত। বলিক চলিত।
যমদগ্নি ৰাম। কাটি চামে চাম।।
ক্ষত্ৰিয়ৰ নাম। নথৈলা সংগ্ৰাম।।
ভৈলা কৈশল্যাত। শ্ৰীৰাম জাত।।
ৰাৱণ বিঘাত। কৰিলা লঙ্কাত।।
ৰাম হলধৰ। ৰোহিণী কুমাৰ।।
মাৰিলা ইতৰ। দ্বিবিদ বানৰ।
বুদ্ধ ৰূপে ছন্ন। কৰি বেদ গণ।।
মুহিলাহা মন। তেজিয়া সজ্জন।।
হুয়া কল্কী চণ্ড। যতেক পাষণ্ড।।
কৰি খণ্ড খণ্ড। বিহিলাহা দণ্ড।।
ধৰি বাৰেবাৰ। দশ অৱতাৰ।।

| | |
|---|---|
| পৃথিৱীৰ ভাৰ। | খণ্ডিলা অপাৰ।। |
| কৃষ্ণৰে কিঙ্কৰে। | ৰচিলা শঙ্কৰে।। |
| হৰি হৰি নৰে। | বোলা নিৰন্তৰে।। |

(৬ষ্ঠ ক্ৰম) **টোটয় -**

মধু দানৱ দাৰুণ দেৱ বৰম্।
বৰ বাৰজি লোচন চক্ৰ ধৰম্।।
ধৰণী ধৰ ধাৰণ ধ্যেয় পৰম্।
পৰমাৰ্থ বিদ্যা শুভ নাশ কৰম্।।
কৰ চুৰ্ণিত চেদিপ তুৰি ভগম্।
ভগভূষণ কোৰ্চিত পদ যুগম্।।
যুগ নায়ক নাগৰ বেশ ৰুচিম্।
ৰুচিৰাংশ পিধাণ শৰীৰ শুচিম্।।
শুচি চামৰ বায়ু নিসেব্য তনুম্।
তনু মধ্যগ দেহ সুবেশ হনুম্।।
হনুমন্ত হৰিশ সহায় ৰতম্।
ৰতবাঙ্গ পৰায়ণ শক্ৰ নতম্।।
নতবৰ্তুল স্থুল সুদীৰ্ঘ ভূজম।
ভূজ গাধিপ তল্প শয়নমজম্।।
অজ ৰামৰ বিগ্ৰহ বিশ্ব গুৰুম্।
গুৰু গোধন কামদ কল্পতৰুম্।।
তৰুণী মন মোহন সৰ্ব শুভম্।
শুভ মঙ্গল দায়ক নীল নিভম্।।
ইভকুঞ্জজ মৌক্তিক মাল্য বহম্।
ৰহলোৰস মিষ্টপ সৰ্ব সহম্।।
সহজায়তি পদ্মদলাক্ষ চিদম্।
চিদানন্দ বিনোদন বেক বিদম্।।
বিদুষান্মন মণ্ডন কম্বু গলম।
গল শোভিত কৌস্তভ ভীম বলম্।।
বলভদ্ৰ সহোদৰ সত্য বপুম্।



ৰপুনিদ্ৰিত বিশ্ব সুৰাৰি বিপুম্।।
ৰিপু যুথপ যুথপ দৰ্পহৰম্।
হৰ মৌলিনি ঘৃষ্ট পদাজ পৰম্।।
পৰলোক সহায় সহস্ৰ মুখম্।
মুখৰালি কুলা কুলমাল্য সুখম।।
সুখ মোক্ষদ দক্ষ ৰমৰমণম্।
মনসো পৰিমেয় সহস্ৰ ফণন্।।
প্ৰণতোষ্মিন তোষ্মিন পাতোষ্মি হৰিম্।
হৰি বৈৰী হুতাশন ভোগ্য হৰিম্।।
হৰি কিঙ্কৰ শঙ্কৰ ইশ পদে।
মদ মিচ্ছন গয়েতি চামৃতদে।।

(৫ম ক্ৰম) **চপয়**

| | |
|---|---|
| শুন শুন ৰুক্মিনী মাই। | হৰি গুণ কহন নাযাই।। |
| মুখ ইন্দু কোটি পৰশাশ। | দশন মোতিম মন্দহাস।। |
| নয়ন পঙ্কজ নৱ পাতা। | কৰতল উতপল ৰাতা।। |
| মদনক ধনু ভ্ৰূৱ ভঙ্গ। | ভূজ যুগ বলিত কটি স্কন্ধ।। |
| উৰু কৰীকৰ অৱভাস। | মৃদু পদ পঙ্কজ বিকাশ।। |
| নখচয় চান্দক পান্তি। | পদতল আৰকত ভ্ৰান্তি।। |
| ধ্বজ বজ্ৰ পঙ্কজ শোহে। | পেখিয়ে ত্ৰিভূৱন মোহে।। |
| অভিনৱ তৰুণ মুৰুতি। | কি কহব ৰূপক বিভূতি।। |
| গতি গম্ভীৰ মৃগৰাজ। | কোটি মদনক হেৰি লাজ।। |
| তোহো নৱ তৰুণী প্ৰধান। | সোহৰি নবীন যুৱান।। |
| দুহোঁ এক বয়স সমান। | কয়লি বিধি নিৰমান।। |
| ভূৱন নিৰূপম ৰূপ। | শুন ধ্বনি বচন স্বৰূপ।। |
| যৱ তব পতি সোহি হোই। | সফল জনম তব তোই।। |
| কহল ভিক্ষুক সব জানি। | কৃষ্ণ কিঙ্কৰ বোল বাণী।। |
| ত্যাজ সামাজিক কাম। | ডাকি বোলহ ৰাম ৰাম।। |

(৬ষ্ঠ ক্ৰম)

## লীলামালা

ঘোষা -

**বন্ধু মাধৱ হে**
**তুৱা বিনে আছে আৰ তাৰকে কে ?**
**বন্ধু মাধৱ হে।।**

পদ -

শুকমুনি ৰাজাত কহন্ত বিদ্যমানে।
কৃষ্ণ লীলামালা আবে শুনা সাৱধানে।।
শ্ৰৱণে কীৰ্তনে আৰু বৈকুণ্ঠক যায়।
ধৰ্ম অৰ্থ কাম মোক্ষ সবে আতে পায়।।
ব্ৰাহ্মায়ে প্ৰাৰ্থিলা পৃথিৱীৰ দেখি ত্ৰাস।
লৈলা দৈৱকীৰ উদৰত হৰি বাস।।
গৰ্ভতে বিধাতা স্তুতি কৰিলন্ত আসি।
দৈৱকী দেৱীক বাক্য বুলিলা আশ্বাসি।।
পাছে উপজিলা নিজ ৰূপে দামোদৰ।
দেখি পিতৃ মাতৃ স্তুতি কৰিলা বিস্তৰ।।
উপৰি জন্মৰ কথা নাৰায়ণে কৈলা।
কংসভয়ে বসুদেৱে গোকুলত থৈলা।।
দেখি পুত্ৰ মুখ নন্দ আনন্দে বিহ্বল।
তনয়ৰ জাত কৰ্ম কৰাইলা সকল।।
দৈত্যক বধিবে আৰম্ভিলা গোকুলত।
পুতনাৰ চেতনা শুষিলা প্ৰথমত।।
শকটৰ তলে থৈলা যশোদা শুৱাই।
পেহ্লাইলাহা পাৱে শকটত ওভতাই।।
তুলিলাহা হামি যশোদাৰ পিয়া স্তন।
গৰ্ভতে দেখীয়া দেৱী চৌধয় ভূৱন।।
বিস্ময় হইয়া আখি মুদিলা সুন্দৰী।
তাত পাছে নিলা চক্ৰ বাতে চুৰি কৰি।।
গলত চিপয়া ধৰি পেহ্লাইলা শিলত।
মৰি গৈলা দুষ্ট দৈত্য তোহ্মাৰ লীলাত।।
জাত কৰ্ম কৰি গৰ্গঋষি থৈলা নাম।
গোকুলতে ক্ৰীড়ন্তে ফুৰন্তে কৃষ্ণ ৰাম।।
নাচা বুলি পাঞ্চে গোপী বজায়া চাপৰি।
কৰিলন্ত নৃত্য ভঙ্গী ভাবে দেৱ হৰি।।
যশোদা শুধিলা ধৰি কিয় মাটি খায়লি।
নখাইলো বুলিয়া বেস্ত বাইলা বনমালী।।



গৰ্ভতে দেখিলা দেৱী ভূৱন চৌধয়।
কাৰিলন্ত স্তুতি আতি পৰম বিস্ময়।।
স্তন পিযে নাপায় কোপে কৃষ্ণ বৰ চাণ্ড।
শিলা হানি ভাঙিলা দধিৰ সব ভাণ্ড।।
সেহি অপৰাধে ধৰি বান্ধিলা সুন্দৰী।
লাসে লাসে উৰুখল তানি নিলা হৰি।।
বৃক্ষত লাগিয়া ভৈলা উৰল পথালি।
অৰ্জুনক উভজ্ঞি পেহ্লাইলা বনমালী।।
বুলিলেক স্তুতি দুয়ো কুবেৰ নন্দন।
নিজ স্থানে গৈলা কৰি কৃষ্ণক বন্দন।।
কোনে ফল লৈবেক পসাৰী দিলে ডাক।
ধান্য লৈয়া যান্ত কৃষ্ণে ফল কিনিবাক।।
কৃষ্ণৰ হস্তত ভৰি দিলা বাচি।
সুবৰ্ণ ৰতনে তাইৰ উপচিল পাচি।।
অনন্তৰে ৰাম কৃষ্ণ গৈলা বৃন্দাবন।
শিশুসব সহিতে চাৰিলা বৎসগণ।।
বহুবিধ শিশুলীলা আচৰি প্ৰচুৰ।
লীলায়ে বধিলা তৈতে বৎস বকাসুৰ।।
ঘোৰ সৰ্পৰূপে অঘে আছে বেস্ত বাই।
বৎস বৎসপালক গিলিল লাগ পাই।।
তাৰ গল ভেন্তিয়া বঢ়াইলা দেহ হৰি।
কৃষ্ণৰ সাৰূপ্য পাইলা অঘাসুৰ মৰি।।
তাত পাছে ব্ৰহ্মা আসি কৰিলন্ত চুৰি।
মায়া কৰি নিলে সব গোৰক্ষ দামুৰি।।
হুয়া গৰু গোৰক্ষ আপুনি পৰতেক।
সৰ্ব ৰূপে ব্ৰজত বঞ্চিলা বৰিষেক।।
অনন্তৰে ব্ৰহ্মা আসি ভৈলা বিমোহিত।
সবেদৈব্য চতুৰ্ভুজ ৰূপ বিপৰীত।।
হৰিল চেতন একো নাহি হৃদি সিদ্ধি।
পাছে পাৱে পৰি স্তুতি কৰিলন্ত বিধি।।
গৈলা তাল বনে সবে গোৱাল সহিতে।
সবান্ধৱে ধেনুকাক বধিলা তহিতে।।
গোপ গণে তালক ভুঞ্জিলা কণ্ঠ ভৰি।
শঙ্কৰে ৰচিলা ডাকি বোলা হৰি হৰি।।

●●●

(৭ম ক্ৰম) **বৰগীত -**

**ৰাগ - আশোৱাৰী**

ধ্ৰুং - **ৰাম গোঁসাই কৰোহো গোহাৰি।**
**বহু হৃদি পঙ্কজ ঠাম হমাৰি।।**

পদ - মায়া ছোড়ি ভকতি কৰো দানা।
কৰো তুৱা চৰণ পঙ্কজ মধুপানা।।
মাধৱ দাস কহয় ৰাম তেৰা।
যাহা যাহা চৰণ তাহে শিৰ মেৰা।।

বা

**ৰাগ ভাটিয়ালী ঃ**

ধ্ৰুং - **হৰি মোৰ হৰি মোৰ এ দীন দয়াল।**
**কে জানিতে পাৰয় তোমাৰ ঠাকুৰাল।।**

পদ - নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সেহি কৰ্মে জীৱৰ জনম দূৰ কৰা।।
সহজে অৰ্কতা কৰ্ম কৰা অপৰ্যন্ত।
সোহি জন্মে জীৱৰ কৰ্মৰ কৰা অন্ত।।
তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই।
নিৰ্গুণ হোৱয় জীৱ তুৱা গুণ গাই।।
কহয় মাধৱ মেৰি ওহি আশা মনে।
সহজ পিৰীতি মাগো তোমাৰ চৰণে।।

(৮ম ক্ৰম) -

কৃষ্ণ। কৃষ্ণ।। কৃষ্ণ।।।
কৃষ্ণৰাম। কৃষ্ণৰাম।। কৃষ্ণৰাম।।।
কৃষ্ণ কৃষ্ণ ৰাম ৰাম
জয় জয় ৰাম ৰাম, জয় জয় ৰাম ৰাম
জয় জয় ৰাম ৰাম
কৃষ্ণহৰি, ৰামহৰি ৰাম ৰাম ৰাম
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ।

(৪ বাৰ)



(৯ম ক্ৰম) ঃ

ৰাম বুলি ফুৰা বাহু আছাড়ি।
কপটৰ মোট পেহলায়ো ফাড়ি।।
ভজ ভগৱন্ত ভক্তি ভাৱে।
নাম লৈয়া গতি পতিতে পাৱে।।
ৰাম নাম খানি ফুৰিয়ো গায়া।
কি কৰিব পাৰে হৰিৰ মায়া।।
ৰাম নাম খানি লৈয়োক ভাটি।
হেলায়ে মাৰিয়ো যমেৰ ঘাটি।।

(১০ম ক্ৰম) কীৰ্তন ঃ

ঘোষা - **স্বামী ৰাম নেৰো আৰ চৰণ তোমাৰ।**
**দূৰ কৰা সংসাৰ নিকাৰ।।**

পদ - বোলন্ত প্ৰহ্লাদ উঠ উঠ।
তোৰ ভক্তিত ভৈলো মহাতুষ্ট।।
লৈয়ো বৰ তোৰ যেন মন।
বৃথা নোহে মোৰে দৰিশন।।
মোক দেখিলন্ত যিটোজন।
নাহি তাৰ পুনৰাগমন।।
ভকতৰ পুৰো মনোৰথ।
দেও কাম মোক্ষ ধৰ্ম অৰ্থ।।
এহি বুলি প্ৰলোভন্ত বৰ।
নবাঞ্চত প্ৰহ্লাদ কুমাৰ।।
ভক্তিসে পৰম লাভ জানি।
বিষ্ণুক বোলন্ত হাসি বাণী।।
জানো প্ৰভু পৰীক্ষা আমাক।
সেহেতু বুলিলা এনে বাক।।
বাঞ্চেফল তযু কৰি কৃত্য।
সিটো বাণিজ্যৰ নোহে ভৃত্য।।
তোমাৰ অকাম ভৃত্য আমি।
তুমিও নিষ্কাম মোৰ স্বামী।।

নাহি কাম আমাৰ অন্যথা।
নুহি ৰাজ সেৱকৰ যথা।।
শুনি নৰসিংহ হাসিলন্ত।
জানো তঞ্জি ভকত একান্ত।।
তথাপিতো ইটো মন্বন্তৰ।
হুয়া থাকা দৈত্যৰ ঈশ্বৰ।।
সদায়ে শুনিবি মোৰ কথা।
মোৰ ৰূপ চিন্তিবি সৰ্বদা।।
কীৰ্তনে পলাইবে পাপ চয়।
ভোগ্য ভুঞ্জি পূণ্য কৰা ক্ষয়।।
তোৰ যশ ব্যাপিব জগতে।
ৰাত্ৰি দিনে মোক সুমৰন্তে।।
সবে কৰ্মবন্ধ হৈব ক্ষীণ।
অন্তকালে মোতে যাইবে লীন।।
তোৰ মোৰ কথা যিটো নৰে।
তোক মোক সময়তে স্মৰে।।
সিওঁজনে মোক পাইব আসি।
প্ৰহ্লাদে মাতন্ত পাছে হাসি।।
তযু পাৱে মাগো এক বৰ।
তুমি প্ৰভু জগত ঈশ্বৰ।।
তোমাক নিন্দিলে পিতৃ মোক।
সিজিল পাতক মহা ঘোৰ।।
তাতহন্তে পিতৃ নিস্তাৰোক।
এতেক প্ৰসাদ দিয়ো মোক।।
তুমি দীন দয়াশীল দেৱ।
তোমাৰ চৰণে কৰো সেৱ।।
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
নেড়িবা কীৰ্তন একো নৰে।।
আজি কালি মিলিবে মৰণ।
হৰি হৰি বোলা সৰ্বজন।।



(১১শ ক্ৰম) সামৰণি ঃ-

ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম
হৰি ৰাম ৰাম ৰাম (চাৰি বাৰ)
ৰাম ৰাম ৰাম ও হৰি (চাৰি বাৰ)
ও হৰি ৰাম ৰাম (চাৰি বাৰ)
কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম কৃষ্ণৰাম (চাৰি বাৰ)
ৰাম ৰাম ৰাম ৰাম (চাৰি বাৰ)
ওঁ ৰাম, ওঁ ৰাম, ওঁ ৰাম, ওঁ ৰাম।

(১২শ ক্ৰম) জয় ঘোষণা ঃ-

| | |
|---|---|
| ১। জয় ৰাম - | সমূহে জয় ৰাম। |
| ২। জয় নাৰায়ণ - | সমূহে জয় নাৰায়ণ। |
| ৩। জয় কৃষ্ণ - | সমূহে জয় কৃষ্ণ। |
| ৪। জয় জগাত গুৰু শ্ৰীমন্ত শঙ্কৰ - | সমূহে জয় জগতগুৰু শ্ৰীমন্ত শঙ্কৰ। |

(১৩শ ক্ৰম) পাঠ ঃ-

উপদেশ -

শুনা সভাসদ পদ যুগুতি বচন।
হৰি ভকতিৰ আদ্য জানিবা শ্ৰৱণ।।
মহন্তৰে মুখে কথা শুনা প্ৰথমত।
তেবেসে পুৰুষে পাবে ভকতিৰ তত্ব।।
কথা শুনিলেসে গুছে মনৰ সংশয়।
কৃষ্ণৰ সেৱাত ৰতি তেবেসে বাঢ়য়।।
জানি হৰি কথা শুনি মহন্তৰ মুখে।
বোলা ৰাম ৰাম তেবে তৰিবাহা সুখে।।
পাঠৰ হৰিধ্বনি - ও হৰি, ও ৰাম।

(১৪শ ক্ৰম) গুৰু বন্দনা ঃ-

(১৫শ ক্ৰম) সেৱা ঃ সেৱকীৰ।

(১৬শ ক্ৰম) ঃ নামাচাৰ্যৰ আসন ত্যাগ আৰু অপৰাধ ভঞ্জন ঘোষণা, ভকত ভগৱন্তলৈ।

●●●●●

ঘোষা - সেৱক বুলিয়া পালিয়ো ৰাম
চৰণে শৰণ লৈলো।
তোমাত ভকতি নকৰি কৃপালু
জনম বিফল কৈলো।।

পদ - সুদামক বৰ দিয়া দামোদৰ
ৰাজ পথে চলিযান্ত।
চন্দনৰ পাত্ৰ সহিতে যুৱতী
কুবুজাক দেখিলন্ত।।
ওচৰ চাপিয়া পুচন্ত হাসিয়া
সৰ্ব দুখ দাতা হৰি।
তই কোণ কাৰ চন্দন লৈ যাহ
কৈয়ো কথা শীঘ্ৰ কৰি।।
দুভাইক চন্দন দিয়া আজি তোৰ
হৈবেক কৈল্যাণ আসি।
সৈৰিন্ধ্ৰী বোলয় শুনিও সুন্দৰ
মই কংস ৰায়ৰ দাসী।।
ভোজ নৃপতিৰ আতি প্ৰীতিকৰ
মোৰেসে চন্দন মাত্ৰ।
তোৰা দুই বিনে ইটো চন্দনৰ
আছে আন কোন পাত্ৰ।।
সুকুমাৰ ৰূপ দেখি মোহ ভৈল
কৃষ্ণৰ সুৰস মাতে।
দুভাইৰো শৰীৰ চন্দনে ৰঞ্জিল
যুৱতী আপোন হাতে।।
এতেকে প্ৰসন্ন ভৈলা ভগৱন্ত
যিটো ভকতৰ গতি।
কৰিলন্ত মাতি সিটো কুবুজাক
ঋজু কৰিবাক প্ৰতি।।

তাইৰ দুই ভৰি দুপাৱে জান্তিয়া
চিবুকত ধৰি হাতে।
উপৰক তুলি চমু কৰিলন্ত
তিনিও লোকৰ নাথে।।
কৃষ্ণ পৰশনে তেতিক্ষণে তাই
ভৈ গৈল দিব্য সুন্দৰী।
কামাতুৰ হুয়া হাসিয়া মাতয়
কৃষ্ণৰ বস্ত্ৰত ধৰি।।
তুমি চিত্ত মোৰ মথিলা মাধৱ
এৰিবে নাপাৰো আমি।
আসা গৃহে যাওঁ হয়োক প্ৰসন্ন
তিনিও লোকৰ স্বামী।।
ৰামৰ আগত কৃষ্ণৰ বস্ত্ৰত
ধৰিয়া প্ৰাৰ্থেন্ত আছে।
সমস্তে গোপৰ মুখ ছায়া হৰি
হাসি মাতিলন্ত পাছে।।
আমি পথিকৰ তুমিসে আশ্ৰয়
যায়োক আজি গৃহক।
তোমাৰ থানক অৱেশ্যে আসিবো
বধিয়া দুষ্ট কংসক।।
এই বুলি তাইক মধুৰ বচনে
আশ্বাসি পঠাইলা হৰি।
বানিজাৰুগণে দুভাইকো পুজিলা
অনেক দ্ৰব্যে সাদৰি।।
কৃষ্ণ দৰশনে কামে বিমোহিত
সমস্তে পুৰ যুৱতী।
বসন বলয়া সুলকিল খোপা
তাতো নাহি কাৰো মতি।।
চিত্ৰৰ পুতলী আছে যেন বহি
কৃষ্ণত অৰ্পিয়া মন।
আন কাম এৰি বোলা হৰি হৰি
সমজ্যাৰ যত জন।।

●●●

ঘোষা - দুৰাচাৰ মন মোৰ ৰাম হৰি বোল।
ৰাম হৰি বোল ৰাম হৰি বোল।।

পদ - কৃষ্ণৰ চৰণে হৈবে কিমতে ভকতি।
শুনা সাৱধানে তাক স্থিৰ কৰি মতি।।
বিষ্ণু ভকতৰ সঙ্গ লৈবা প্ৰথমতে।
গুৰু মানি শুশ্ৰূষা কৰিবা ভালমতে।।
লৈয়া উপদেশ মাধৱক আৰাধিবা।
যতেক সুকৃতি মানে কৃষ্ণত অৰ্পিবা।।
কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্বদায় কৰিবাহা কৃষ্ণৰ কীৰ্তন।।
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্তে ভূতত।।
হেন জানি প্ৰাণীক কৰিবা সতকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ।।
হৰিৰ সেৱাত কিছু নাহিকে প্ৰয়াস।
আপুনি লৈবন্ত হৰি হৃদয়ত বাস।।
আপুনি জীৱৰ সাক্ষী কৃষ্ণ কৃপাময়।
তাঙ্ক এৰি সামান্যক সেৱে দুৰাশয়।।
ধন জন প্ৰাণ পুত্ৰ যত পৰিবাৰ।
সমস্তে অবস্তু অনুমাত্ৰো নুহি সাৰ।।
হেন অনুমানি মাধৱত কৰা ৰতি।
হই পৰলোক হৰি চৰণেসে গতি।।
নালাগে ভক্তিত দেৱ দ্বিজ ঋষি হৈবে।
নালাগে সম্ভূত শাস্ত্ৰ বিস্তৰ জানিবে।।



তপ জপ যজ্ঞ দান সবে বিড়ম্বণ।
কেৱল ভক্তিতে তুষ্ট হোন্ত নাৰায়ণ।।
যক্ষ ৰক্ষ স্ত্ৰী শূদ্ৰ যত ব্ৰজবাসী।
পক্ষী মৃগে বিষ্ণু ভৈল কৃষ্ণক উপাসি।।
জানি দৈত্য শিশু সৱ হুয়ো একমতি।
হৰিত কৰিয়ো সবে একান্ত ভকতি।।
এহিমাত্ৰ মহাপুৰুষাৰ্থ পুৰুষৰ।
শ্ৰৱণ কীৰ্তন কৰিবেক নিৰন্তৰ।।
সমস্ত ভূতত দেখিবেক নাৰায়ণ।
আতপৰে আন ধৰ্ম সবে বিড়ম্বন।।
হেন শুনি নিৰন্তৰে দৈত্য শিশুগণ।
প্ৰহ্লাদৰ উপদেশে ভেদিলেক মন।।
গুৰুৰ শিক্ষাত আৰু কেহো নেদে মতি।
ভাগৱত ধৰ্মত সবাৰ ভৈল ৰতি।।
শুনে কৃষ্ণ কথাক মনত চিন্তে হৰি।
ৰাম-ৰাম গাৱে বাৱে বেড়িয়া চাপৰি।।
দেখি ক্ৰোধে ষণ্ডামৰ্কে দণ্ড কৰে আনি।
তথাপি আটাস পাৰি বোলে ৰামবাণী।।
অদ্ভুত দেখিয়া দুয়ো গুৰু গৈল ডৰি।
দিলেক লৱৰ প্ৰহ্লাদৰ হাতেক ধৰি।।
ৰাজাত বিণাৱে তযু পুত্ৰ ভৈল নষ্ট।
আনো সৱ শিশুক কৰিলে সৱ ভ্ৰষ্ট।।
নপঢ়ায় শাস্ত্ৰ আৰো প্ৰভু একো ছাত্ৰ।
মৰণকো নগনয় ৰাম বোলে মাত্ৰ।।
আমাক দণ্ডিবা পাছে দিলো আসি জান।
বোলা হৰি হোক পাপৰ নিৰ্জাণ।।

●●●

## কীৰ্তন ওপৰিঞ্চি বিবাহ বা অন্যান্য অনুষ্ঠানত

ঘোষা - **ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।**
**এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।**

পদ - শুকমণি বোলন্ত শুনিয়ো পৰীক্ষিত।
কৃষ্ণক কলঙ্ক দিয়া ডৰি সত্ৰাজিত।।
আপোনাৰ কন্যা আনি দিলন্ত কৃষ্ণক।
স্যমন্তক মণি দিলা লগত যৌতুক।।
শুকত সোধন্ত দুনাই ৰাজা পৰীক্ষিত।
দিলা কিবা কলঙ্ক কৃষ্ণক সত্ৰাজিত।।
কৈত পাইলে স্যমন্তক মণি মহাৰত্ন।
কিহেতু কৃষ্ণক কন্যা দিলে কৰি যত্ন।।
শুক নিগদতি শুনিয়োক পৰীক্ষিত।
সূৰ্যৰ পৰম ভক্ত সখা সত্ৰাজিত।।
তুষ্ট হৈয়া সূৰ্যে স্যমন্তক তাঙ্ক দিল।
সত্ৰাজিতে মহামণি কণ্ঠত পিন্ধিল।।
সূৰ্য যেন প্ৰকাশিয়া আসে দ্বাৰকাক।
ৰশ্মিয়ে চক্ষুক পীড়ে দেখি প্ৰজাজাক।।
আসন্ত আদিত্য বুলি মনত শঙ্কিয়া।
কৃষ্ণৰ পাশক সবে যায় লৰৰিয়া।।
সভাত খেলন্ত পাশা প্ৰভু পীতাম্বৰ।
আথে বেথে দেয় জান প্ৰজা নিৰন্তৰ।।
নমো নাৰায়ণ শঙ্খ চক্ৰ গদাধৰ।
অৰবিন্দ লোচন গোবিন্দ দামোদৰ।।
তোমাক দেখিবে লাগি ত্ৰিজগত পতি।
আসন্ত আদিত্য হেৰা দেখিয়া সম্প্ৰতি।।
সবাৰো চক্ষুক পীড়ি আসে ৰশ্মি জালে।
তোমাক অন্বেষ কৰে দশোদিগপালে।।



পুৰাণ পুৰুষ তুমি সনাতন হৰি।
যদুকুলে আৱতৰি আছা চদ্ম কৰি।।
তাতেসে আসন্ত সূৰ্যে দেখিবে তোমাক।
বোলা হৰি হৰি উদ্ধাৰিও আপোনাক।।

●●●

## কীৰ্তন বিবাহ উপলক্ষে

ঘোষা - **হৰি ৰাম ৰাম ৰাম ৰাম হৰি।**
**ডাকিয়া ঘোষিয়ো শীঘ্ৰ কৰি।।**

পদ - দেওঁ কন্যা বিবাহ কৃষ্ণক।
দিবো মণি স্যমন্ত যৌতুক।।
তেবেসে সন্তুষ্ট হোন্ত হৰি।
নেদেখো উপায় আত কৰি।।
হেন মনে নিয়ম কৰিয়া।
মণি সমে কন্যা দিল নিয়া।।
পায়া সত্যভামাক অচ্যুতে।
কৰিলা বিবাহ বিধিৱতে।।
ৰূপে গুণে জগততে ধন্যা।
খুজিলে অনেক সিটো কন্যা।।
কাহাকো নিদিলে সত্ৰাজিত।
কৃষ্ণ পাই ভৈল কৃতকৃত্য।।
শ্বশুৰক বুলিলা বচন।
নাহিকে মণিত প্ৰয়োজন।।
তোমাত থাকোক স্যমন্তক।
তুমি সত্ৰাজিত অপুত্ৰক।।

তোমাৰ সৰ্বস্ব সৰে মোৰ।
নিয়া মণি এৰা চিন্তা ঘোৰ।।
শুনি সত্ৰাজিত ৰঙ্গ ভৈল।
স্যমন্তক লৈয়া ঘৰে গৈল।।
অনন্তৰে জগতৰে নাহ।
কৰি সত্যভামাক বিবাহ।।
ক্ৰীড়িলা আনন্দে নাৰায়ণ।
যিটো শুনে স্যমন্ত হৰণ।।
এড়ায় কলঙ্ক মহাপাপ।
দূৰে যায় সংসাৰৰ তাপ।।
হোৱে সিদ্ধি মনৰ বাঞ্ছিত।
জানি শুনা কৃষ্ণৰ চৰিত।।
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
কীৰ্তন নেৰিবা একো নৰে।।
আতপৰে নাহিকে উপায়।
বেদৰ এহিসে অভিপ্ৰায়।।
মায়াময় পুত্ৰ দাৰা গেহ।
কেতিক্ষণে পৰে ইটো দেহ।।
আক নেদেখয় কিনো অন্ধ।
বিষয়ত তথাপি প্ৰবন্ধ।।
আন চিন্তা সবে পৰিহৰা।
মিছা মোৰ মোৰ কৰি মৰা।।
অন্তকে কেশত আছে ধৰি।
জানি ডাকি বোলা হৰি হৰি।।

●●●



## কীৰ্তন — মৃতকৰ্ম বা বাৰ্ষিক কৰ্মত

ঘোষা -
**বনমালী ৰাম মোৰ প্ৰাণ গৈল কোন স্থান।**
**জীৱৰে জীৱন কৃষ্ণ বিনে নাহি আন।।**

পদ -
কথমপি কৃষ্ণৰ চৰণ এড়ি মন।
বজাইল উদ্ধৱে পাইলা গাৱত চেতন।।
হাতে মলচিয়া চক্ষু চিত্ত স্থিৰ কৰি।
তেজিলন্ত নিশ্বাস কৃষ্ণৰ লীলা স্মৰি।।
কৃষ্ণৰ বিৰহ অগ্নি দগ্ধ কৰে মন।
কান্দন্তে দিলন্ত বিদুৰক সমিধান।।
কিবা কথা সোধা সখি দেখো অন্ধকাৰ।
কৃষ্ণ সূৰ্য অস্ত গ'ল প্ৰাণ যে আমাৰ।।
কাল সৰ্পে গ্ৰাসিলেক সুহৃদ সকল।
কি কহিবো সখি আৰু আমাৰ কুশল।।
যাদব বংশৰ কিনো মিলিল অভাগ।
নাজানিলো কৃষ্ণক লগতে পায়া লাগ।।
ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।
মাছে যেন বোলে ইও এক জলচৰ।।
সেহিসতে ঈশ্বৰক পায়া যদুগণ।
মনে মানিলন্ত এন্তে জ্ঞাতি একজন।।
ভূষণৰো ভূষণ পৰম আহচয়।
যাকদেখি হৰি হোন্ত আপুনি বিস্ময়।।
আপুণ্য প্ৰাণীক অল্প দিয়া দৰিশন।
লগতে পিলন্ত যেন লোকৰ লোচন।।
দেখিয়ো কৃষ্ণৰ কেনে কৰ্ম বিড়ম্বন।
বসুদেৱ গৃহত অজৰ উপজন।।
যাৰ কটাক্ষতে হোৱে জগত বিনাশ।
কংস ভয়ে লন্ত তেন্তে গকুলত বাস।।
বসুদেৱ দৈৱকীক বুলিলা প্ৰণামী।
কংস ভয়ে ব্ৰজত বঞ্চিলো গৈয়া আমি।।

হে পিতৃ মাতৃ মোৰ মৰষিয়ো দোষ।
ইহাত সুঁৱৰি মনে মিলে অসন্তোষ।।
হেনয় কৃষ্ণৰ যিটো গাইলে নাম গুণ।
দুনাই পাসৰিবে আৰু কোননো দাৰুণ।।
ৰাজসূয় যজ্ঞত দেখিলো নেত্ৰ ভৰি।
যেন সিদ্ধি পালে শিশুপালে দ্বেষ কৰি।।
কৃষ্ণ-মুখ-পদ্মক কৰন্তে নেত্ৰে পান।
অৰ্জুনৰ শৰে কাটে ছাড়ে সুখ প্ৰাণ।।
পাৱে পৰম পদ ব্ৰহ্মাদিও যত গহ।
হেনয় প্ৰভুৰ কোনে সহিব বিৰহ।।
উগ্ৰসেন ৰাজাক বৈষায়া সিংহাসনে।
কৰযোৰে আগত বোলন্ত নাৰায়ণে।।
আদেশিও মহাৰাজ কোন কৰ্ম কৰো।
ইহাক সুমৰি সখি আতিশয় মৰো।।
কৃষ্ণ গুণ সুমৰন্তে হৰাইল চেতনা।
মৰিবাক লাগি স্তন দিলে পুতনা।।
তথাপি পাইলেক তাই জননীৰ গতি।
কিনো কৃপাময় নাৰায়ণ প্ৰাণ পতি।।
হেন স্বামীক এৰি কোন মহা অন্ধ।
আনক ভজিবে লাগি কৰিবে প্ৰৱন্ধ।।
যত দৈত্য আসে মাধৱক ক্ৰোধ কৰি।
তাহাকো উত্তম গতি দেন্ত ছিৰীহৰি।।
যিটো প্ৰেম ভাবে ভজে হেন ভগৱন্ত।
তাহাৰ মহিমা কহি কোনে পাৱ অন্ত।।
হেন পূৰ্ণ ব্ৰহ্মক হাততে পায়া লাগ।
হৰুৱাইলো দেখা সখি মোহৰ অভাগ।।
সুমৰি সুমৰি সিটো স্বামীৰ চৰণ।
কহিবে নোৱাৰো কথা দগ্ধ কৰে মন।।
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্বলোক।
হৰি হৰি বোলা সদা পাতক ছাড়োক।।

●●●



## ভক্তসকলে কেইটামান জানিবলগীয়া কথা

**চাৰিবস্তু ঃ** গুৰু, দেৱ, নাম, ভক্ত।

**ছয় ভক্ত ঃ** উদ্ধৱ, বিদুৰ, মৈত্ৰয়, হনুমন্ত, জাম্বুৱন্ত আৰু বিভীষণ।

**বাৰ বৈষ্ণৱ ঃ** ব্ৰহ্মা, মনু, হৰ, কপিল, কুমৰ, শুক, ভীষ্ম, বলি, যম, জনক, নাৰদ আৰু প্ৰহ্লাদ।

**চৈধ্য পৰিষদ ঃ** সুনন্দ, কুমুদ, নন্দ, পুস্পদন্ত, প্ৰবল, বিজয়, জয়, উদ্বল, জয়ন্ত, বিশ্বকসেন, কুমুদাক্ষ, শ্ৰুতদেৱ, গৰুড় আৰু সাতক্য।

**চাৰি সিদ্ধ ঃ** সনক, সনন্দ, সনতকুমাৰ, সনাতন।

**নৱ সিদ্ধ ঃ** কবি, হৰি, অন্তৰীক্ষ, প্ৰবুদ্ধ, পিপ্পালায়ন, অবিহোত্ৰ, দ্ৰুমিল, চমস আৰু কৰভাজন।

**চাৰিবেদ ঃ** ঋক, যজু, অথৰ্ব আৰু সামবেদ।

**চৈধ্য শাস্ত্ৰ ঃ** শিক্ষা, কল্প, জ্যোতিষ, মীমাংসা, ন্যায়, নীতি, দণ্ড, ব্যাকৰণ, আয়ুৰ্বেদ, স্মৃতি, নিৰুক্ত, গন্ধৰ্ব, ধনুৰ্বেদ আৰু কাব্য।

**ওঠৰ পুৰাণ ঃ** ব্ৰহ্মপুৰাণ, পদ্ম, বিষ্ণু, শিৱ, ভৱিষ্য, নাৰদ, অগ্নি, লিঙ্গ, মাৰ্কণ্ডেয়, স্কন্ধ, ব্ৰহ্মাণ্ড, গৰুড়, কুৰ্ম, বৰাহ, বামণ, মৎস্য, ব্ৰহ্মাবৈৱৰ্ত আৰু ভাগৱত।

**সপ্ত বৈকুণ্ঠ ঃ** শ্বেতবিলাস, সান্তনুবিলাস, পুস্পবিলাস, পঙ্কজবিলাস, কনকদণ্ড, সনাতন আৰু গোলোকবিলাস বৈকুণ্ঠ।

**সপ্তথান ঃ** বৰদোৱা, বেলগুৰি, পাটবাউসী, গণককুছি, সুন্দৰীদিয়া, বৰপেটা আৰু মধুপুৰ।

**অষ্ট ঐশ্বৰ্য্য ঃ** অনিমা, লঘিমা, মহিমা, প্ৰাপ্তি, প্ৰাকাশ্য, ইশিতা, বশিতা আৰু কামবসায়িতা।

**অষ্টপ্ৰকৃতি ঃ** পৃথিৱী, জল, বহ্নি, বায়ু, আকাশ, মন, বুদ্ধি আৰু অহংকাৰ।

**অষ্টাঙ্গ যোগ ঃ** যম, নিয়ম, প্ৰাণায়াম, আসন, ধ্যান, ধাৰণা, প্ৰত্যাহাৰ আৰু সমাধি।

**পঞ্চ মহাভূত ঃ** মাটি, পানী, অগ্নি, বায়ু আৰু আকাশ।

**পঞ্চ জ্ঞানেন্দ্ৰিয় ঃ** চকু, কাণ, নাক, ত্বক আৰু জিভা।

**পঞ্চ কৰ্মেন্দ্ৰিয় ঃ** বাক, পানি, পাদ, পায়ু আৰু উপস্থ।

**ভাগৱতৰ দহ লক্ষণ ঃ** স্বৰ্গ, বিসৰ্গ, স্থান, পোষণ, উতি, মন্বন্তৰ, ঈশান, নিৰোধন, মুকুতি আৰু আশ্ৰয়।

**দশৰস ঃ** বীৰ, বিভৎস্য, ৰৌদ্ৰ, ভয়ানক, শান্ত, দাস্য, বাৎসল্য, শৃঙ্গাৰ, হাস্য আৰু করুণ।

**শঙ্কৰদেৱৰ দশনাম ঃ** শঙ্কৰ, গোমস্তা, গৃহস্থ, আচাৰ্য, বাপ, বৰআতা, ডেকাগিৰি, ইষ্টগুৰু, গঙ্গাধৰ আৰু মহাপুৰুষ।

**কলিৰ স্বৰূপ ঃ** মিছা, বেশ্যা, নিদ্ৰা, এলাহ, হিংসা, শোক, মোহ আৰু ভয়।

**চাৰি পুৰুষাৰ্থ ঃ** ধৰ্ম, অৰ্থ, কাম, মোক্ষ।

**তিনি তীৰ্থ ঃ** মানস, স্থাবৰ, জঙ্গম।